# তিতাবৰ অঞ্চলৰ ঐতিহ্যমণ্ডিত 'হামদৈ চিপহা সত্ৰ'ৰ ইতিবৃত্ত ঃ এটি অধ্যয়ন

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ যাণ্মাসিকৰ
অসমীয়া DSE - 2(H) কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প


তত্বাৱধায়ক
ড° গৌতম বৰা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
শ্ৰীমতী লিপিকা বৰুৱা
স্নাতক তৃতীয় বৰ্ষৰ
ষষ্ঠ যাণ্মাসিক
অসমীয়া বিভাগ
ৰোল নং ঃ ৩০৮১০১০৬
বিশ্ববিদ্যালয় পঞ্জীয়ন নং ঃ S1921643



নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
ইং ২০২২ বৰ্ষ

# অসমীয়া বিভাগ

## নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ, জিলা-যোৰহাট, অসম, পিন-৭৮৫৬৩০


প্ৰসঙ্গ নংঃ-

তাৰিখঃ- ০৭-০৭-২০২২

## প্ৰমাণ পত্ৰ

শ্ৰীমতী লিপিকা বৰুৱা স্নাতক কলা শাখাৰ ষষ্ঠ যাণ্মাসিকৰ (বিশ্ববিদ্যালয়ৰ ৰোল নংঃ ৩০৮১০১০৬) ছাত্ৰী। তেওঁ ড° গৌতম বৰাৰ তত্বাৱধানত DSE-2(H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে **'তিতাবৰ অঞ্চলৰ ঐতিহ্যমণ্ডিত 'হামদৈ চিপহা সত্ৰ'ৰ ইতিবৃত্ত ঃ এটি অধ্যয়ন'** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

বিভাগীয় প্ৰধান<br>
অসমীয়া বিভাগ<br>
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ

# অসমীয়া বিভাগ

## নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ, জিলা-যোৰহাট, অসম, পিন-৭৮৫৬৩০

প্ৰসঙ্গ নংঃ- তাৰিখঃ- ০৭-০৭-২০২২

## প্ৰমাণ পত্ৰ

শ্ৰীমতী লিপিকা বৰুৱা স্নাতক কলা শাখাৰ ষষ্ঠ যাণ্মসিকৰ (বিশ্ববিদ্যালয়ৰ ৰোল নংঃ ৩০৮-১০১০৬) ছাত্ৰী। তেওঁ মোৰ তত্বাৱধানত DSE - 2(H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে **'তিতাবৰ অঞ্চলৰ ঐতিহ্যমণ্ডিত 'হামদৈ চিপহা সত্ৰ'ৰ ইতিবৃত্ত ঃ এটি অধ্যয়ন'** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

(ড° গৌতম বৰা)
সহকাৰী অধ্যপক
তত্বাৱধায়ক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ

## সূচীপত্ৰ


**কৃতজ্ঞতা** ক

**অৱতৰণিকা** খ-গ

০.০১ বিষয়ৰ পৰিচয়

০.০২ বিষয়ৰ পৰিসৰ

০.০৩ বিষয় অধ্যয়নৰ উদ্দেশ্য

০.০৪ পূৰ্বকৃত অধ্যয়ন

০.০৫ বিষয় অধ্যয়নৰ পদ্ধতি

**সংক্ষিপ্ত ৰূপ** ঘ

**মানচিত্ৰ** ঙ

**প্ৰথম অধ্যায়** ১-৫

১.০০ অসমৰ সত্ৰ ঃ

১.০১ সত্ৰৰ চমু পৰিচয়

১.০২ সত্ৰৰ সংজ্ঞা

১.০৩ সত্ৰৰ উৎপত্তি

১.০৪ সত্ৰৰ বিকাশ

**দ্বিতীয় অধ্যায়** ৬-৯

২.০০ চিপহা সত্ৰৰ পৰিচয়

২.০১ চিপহা সত্ৰৰ উৎপত্তি

২.০২ চিপহা সত্ৰৰ নামকৰণ

২.০৩ চিপহা সত্ৰৰ ভৌগোলিক অৱস্থান আৰু জনসংখ্যা

২.০৪ চিপহা সত্ৰৰ চাৰিসীমা আৰু মাটিকালি

**তৃতীয় অধ্যায়** ১০-২০

৩.০০ চিপহা সত্ৰৰ অৱদান

৩.০১ চিপহা সত্ৰৰ সামাজিক অৱদান

ক) হামদৈ চিপহা সত্ৰৰ সত্ৰাধিকাৰ সকলৰ পৰিচয় আৰু তেওঁলোকৰ সামাজিক অৱদানসমূহ

খ) হামদৈ চিপহা সত্ৰৰ পৰিচালনা সমিতিৰ কাৰ্যাৱলী

৩.০২ চিপহা সত্ৰৰ সাংস্কৃতিক অৱদান

ক) চিপহা সত্ৰৰ আপুৰুগীয়া সম্পদসমূহ

খ) চিপহা সত্ৰৰ নৈমিত্তিক কৰ্ম তথা সত্ৰৰ উৎসৱ-অনুষ্ঠান

৩.০৩ চিপহা সত্ৰৰ ধৰ্মীয় অৱদান

ক) হামদৈ চিপহা সত্ৰৰ নামপ্ৰসংগ

খ) হামদৈ চিপহা সত্ৰত অনুষ্ঠিত হোৱা ভাওনা

গ) সত্ৰখনত প্ৰচলিত অন্যান্য দিশমূহ

**উপসংহাৰ/সামৰণি** ২১

**পৰিশিষ্ট** I-VII

(আলোকচিত্ৰ, তথ্যদাতাৰ তালিকা, গ্ৰন্থপঞ্জী)

## কৃতজ্ঞতা জ্ঞাপন

নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ CBCS পাঠ্যক্ৰমৰ ষষ্ঠ ষান্মাসিকৰ DSE-2(H) কাকতখনৰ বাবে এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ পোৱাটো মোৰ বাবে পৰম সৌভাগ্যৰ কথা। ইয়াৰ বাবে প্ৰথমেই অসমীয়া বিভাগলৈ মই প্ৰণিপাত যাঁচিছো।

মোৰ গৱেষণা পত্ৰখন প্ৰস্তুত কৰা ক্ষেত্ৰত তত্বাৱধায়ক ড° গৌতম বৰা ছাৰৰ প্ৰয়োজনীয় দিহা-পৰামৰ্শ আৰু ক্ষেত্ৰ অধ্যয়নৰ পথত আহি পৰা সমস্যাসমূহৰ সমাধানৰ পথ দেখুৱাই দিয়াৰ উপৰিও তেখেতে দিয়া উপদেশ, উৎসাহ আৰু অনুপ্ৰেৰণাৰ বাবে মই যথেষ্টখিনি সাহস পাইছিলোঁ। এইখিনিতেই তেখেতলৈ মই আন্তৰিক শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে বিভাগৰ ড° দেৱ প্ৰতীম হাজৰিকা ছাৰ আৰু ড° মৃণালী কাগ্যুং বাইদেউলৈও মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

যিজন ব্যক্তিয়ে বৰষুণকো নেওচি বোকাময় বাটেৰে গৈ তথ্য সংগ্ৰহৰ ক্ষেত্ৰত যথেষ্টখিনি সহায় আৰু সাহস দিয়া মোৰ পিতৃ শ্ৰী জিতেন বৰুৱা আৰু প্ৰতিটো ক্ষেত্ৰতেই ছাঁটোৰ দৰে লাগি উজাগৰে ৰাতি কটাই মোৰ গৱেষণা পত্ৰখন প্ৰস্তুত কৰাত সহায় কৰি দিয়া মোৰ মাতৃ শ্ৰীমতী মানিকী বৰুৱালৈ মোৰ সশ্ৰদ্ধ ভক্তি নিবেদিছোঁ। লগতে পত্ৰখন প্ৰস্তুত কৰি থাকোঁতে কাগজ আৰু কলমৰ পৰিমাণ কমি আহিলে চাইকেলখন লৈ দোকানলৈ ঢাপলি মেলা মোৰ ভাইটি শ্ৰী মুনিন্দ্ৰ বৰুৱা (মুকুল) লৈ মৰম যাঁচিলো আৰু পৰিয়ালৰ অন্যান্য সদস্যবৃন্দলৈও মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গৱেষণা কাৰ্য অবিৰতভাৱে কৰি যোৱা সময়ছোৱাত সহায় কৰা মোৰ বন্ধু দিপাঙ্কৰ বৰা আৰু অৰবিন্দ কছাৰী তথা সত্ৰখনৰ লাগতীয়াল ফ'টোবোৰ প্ৰেৰণ কৰা প্ৰতীম মহন্ত আৰু পৰাগ মহন্ত খুৰালৈও মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

সদৌ শেষত, প্ৰয়োজনীয় গ্ৰন্থৰ সহায় বিচাৰি কাষ চপা শ্ৰী অৰুণ চন্দ্ৰ বৰুৱাৰ লগতে গৱেষণা পত্ৰখন ছপা কৰি দিওঁতা প্ৰিন্ট্ প্লাজাৰ সমূহ কৰ্মচাৰী প্ৰমুখ্যে স্বত্বাধিকাৰীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

লিপিকা বৰুৱা

তাৰিখ ঃ ২১-০৬-২০২২

## অৱতৰণিকা

### ০.০১ বিষয়ৰ পৰিচয় ঃ

অসমৰ ঐতিহ্যমণ্ডিত এখন ঠাই হৈছে যোৰহাট। এই যোৰহাট জিলাৰ অন্তৰ্গত তিতাবৰখনে যোৰহাটক প্ৰতিনিধিত্ব কৰাৰ লগতে অসমলৈও সাহিত্য, সংস্কৃতি আৰু ভাষাৰ ক্ষেত্ৰতো যথেষ্টখিনি অৱদান আগবঢ়াইছে। সেই অৱদানবোৰৰ ভিতৰত সংস্কৃতিৰ দিশৰ পৰা তিতাবৰৰ বহুতো ঠাইত অৱস্থিত সত্ৰসমূহো অন্যতম। ইয়াৰে এখন সত্ৰ হৈছে 'হামদৈ চিপহা সত্ৰ'। এই সত্ৰখন যোৰহাটৰ পৰা ২০ কিঃমিঃ আঁতৰত অৱস্থিত আৰু তিতাবৰ অঞ্চলৰ পশ্চিম দিশত থকা বৃহত্তৰ হামদৈ পথাৰ আৰু দাঁতিকাষৰীয়া গাঁওবোৰ যেনে- মেজেঙ্গা গ্ৰাণ্ট, বগাৰ গাঁও আৰু তাঁতি গাঁৱৰ কেন্দ্ৰস্থলত অৱস্থিত। এই সত্ৰখনৰ সম্পৰ্কে অধ্যায়ত বিশদভাৱে আলোচনা আগবঢ়োৱা হ'ব।

### ০.০২ বিষয়ৰ পৰিসৰ ঃ

'তিতাবৰ ঐতিহ্যমণ্ডিত 'হামদৈ চিপহা সত্ৰ'ৰ ইতিবৃত্ত ঃ এটি অধ্যয়ন'ৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে সত্ৰখনৰ উৎপত্তি বা প্ৰতিষ্ঠাকালৰ পৰা, সত্ৰীয়া সংস্কৃতিৰ বিভিন্ন দিশ, বৰ্তমান সময়ত সত্ৰখনৰ ভূমিকা আদি দিশবোৰ পৰিসৰত সামৰি লোৱা হ'ব।

### ০.০৩ বিষয় অধ্যয়নৰ উদ্দেশ্য ঃ

'তিতাবৰ অঞ্চলৰ ঐতিহ্যমণ্ডিত 'হামদৈ চিপহা সত্ৰ'ৰ ইতিবৃত্ত ঃ এটি অধ্যয়ন'ৰ সম্পৰ্কে আলোচনা কৰিবলৈ যোৱাৰ কেইবাটাও উদ্দেশ্য নিহিত হৈ আছে। সেইবোৰ হৈছে-

১) সত্ৰ সম্পৰ্কে সম্যক জ্ঞান আহৰণ;

২) চিপহা সত্ৰখনৰ সত্ৰীয়া সংস্কৃতিৰ লগতে বিভিন্ন দিশবোৰ আলোচনা কৰা;

৩) সত্ৰখনে অসমলৈ আগবঢ়োৱা সমলবোৰৰ সম্পৰ্কে তথ্য সংগ্ৰহ;

৪) সত্ৰখনৰ বৰ্তমান পৰিস্থিতি সম্পৰ্কে বুজ লোৱা;

৫) অসমীয়া সংস্কৃতিলৈ সত্ৰৰ অৱদান সম্পৰ্কে কিছু কথা জনা।

### ০.০৪ পূৰ্বকৃত অধ্যয়ন ঃ

'হামদৈ চিপহা সত্ৰ'খনৰ সন্দৰ্ভত পূৰ্বতে অৰ্থাৎ ১৯৭৫ চনৰ ২১,২২,২৩ ফেব্ৰুৱাৰীত তিতাবৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বি-চত্বাবিংশ অধিৱেশনৰ সুৰেণ বৰদলৈৰ সম্পাদনাত প্ৰকাশিত 'তিতাবৰ স্মৃতি' গ্ৰন্থখনত চিপহা সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ শ্ৰী চন্দ্ৰকান্ত মহন্তদেৱে 'অসমৰ সত্ৰানুষ্ঠান আৰু তিতাবৰ অঞ্চলৰ সত্ৰসমূহৰ পৰিচয়' নামৰ প্ৰৱন্ধটিৰ ১০ নং পৃষ্ঠাত চিপহা সত্ৰখনৰ সন্দৰ্ভত সম্যক ধাৰণা এটা দিয়ে আৰু প্ৰফুল্ল গোবিন্দ বৰুৱাৰ সম্পাদনতাত প্ৰকাশ পোৱা 'দৈনিক অসম' কাকতখনত 'তিতাবৰৰ বুৰঞ্জী প্ৰসিদ্ধ অঞ্চল আৰু ইয়াৰ লোককৃষ্টি' নামৰ প্ৰৱন্ধটোত এই সত্ৰৰ সম্পৰ্কে কিছু কথা প্ৰকাশ পায়। পৰৱৰ্তীসময়ত শ্ৰীচন্দ্ৰকান্ত মহন্তদেৱেই 'হামদৈ চিপহা সত্ৰৰ ইতিহাস (ইতিবৃত্ত)'; প্ৰয়াত সত্ৰাধিকাৰ উপেনচন্দ্ৰ মহন্তদেৱৰ পুস্তিকাপত্ৰ 'বিৱৰ্তনৰ পথত হামদৈ চিপহা সত্ৰ (এটি চমু পৰিচয়)'; তিতাবৰৰ

নন্দনাথ শইকীয়া মহাবিদ্যালয়ত ২০১৯ চনত অনুষ্ঠিত হোৱা হীৰক জয়ন্তীৰ স্মৃতিগ্ৰন্থ ‘হীৰক ৰশ্মি’ গ্ৰন্থখনত হৃদয় কুমাৰ বৰুৱাৰ ‘তিতাবৰ অঞ্চলৰ সত্ৰসমূহৰ এক চমু পৰিচয়’ প্ৰৱন্ধটিত এই সত্ৰখনৰ সম্পৰ্কে প্ৰকাশ পায়।

**০.০৫ বিষয় অধ্যয়নৰ পদ্ধতি ঃ**

‘তিতাবৰ অঞ্চলৰ ঐতিহ্যমণ্ডিত ‘হামদৈ চিপহা সত্ৰ’ৰ ইতিবৃত্ত ঃ এটি অধ্যয়ন’ৰ সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে ক্ষেত্ৰ অধ্যয়ন তথা ঐতিহাসিক, সমীক্ষাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হ’ব।

# সংক্ষিপ্ত ৰূপ
(Abbreviations)

| | | |
|---|---|---|
| পৃ. | ঃ | পৃষ্ঠা |
| সম্পা. | ঃ | সম্পাদিত/ সম্পাদনা/ সম্পাদক |
| হেঙুল(হেঙ্গুল) হাঁইতাল | ঃ | বগা ৰঙৰ এবিধ ৰং |
| Fb. Pg. | ঃ | Facebook Page |

# প্রথম অধ্যায়

# প্ৰথম অধ্যায়

## অসমৰ সত্ৰ

### ১.০১ সত্ৰৰ চমু পৰিচয় ঃ

যি স্থানত সদায় ভগৱন্তৰ প্ৰিয় অনুষ্ঠানৰ আচৰণ কৰা হয় আৰু য'ত সদায় নৱবিধ ভগৱন্তৰ ভক্তি প্ৰকাশ কৰা হয়, য'ত বৈষ্ণৱসকলে হৰিনাম প্ৰসঙ্গতে বৰ্তি থাকে, যাৰ ফলস্বৰূপত সেই স্থান বৈষ্ণৱ ভক্তসকল আৰু দেৱতাসকলৰো প্ৰিয় অনুষ্ঠান। এই অনুষ্ঠানভাগৰ নামকৰণ হয় সত্ৰ বুলি। ঋষি শাপগ্ৰস্ত পৰীক্ষিতৰ মোক্ষলাভ কৰা ভাগৱত শ্ৰৱণ কৰাবলৈ এক পৱিত্ৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছিল, ভগৱন্তৰ এই পৱিত্ৰ অনুষ্ঠানকে সত্ৰ বুলি আখ্যা দিয়া হয়।[১] এই সত্ৰসমূহকো অসমৰ বিশেষ অৱদান হিচাপে গণ্য কৰা হয়।

### ১.০২ সত্ৰৰ উৎপত্তি ঃ

এটা সময়ত সমগ্ৰ ভাৰতবৰ্ষতেই বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱ পৰিছিল। ভাৰতবৰ্ষৰ আন আন ঠাইৰ দৰে অসমতো ইয়াৰ প্ৰভাৱ পৰিছিল। খ্ৰীষ্টীয় পঞ্চদশ শতিকাৰ শেষভাগ আৰু ষোড়শ শতিকাৰ আদিভাগত এই নৱ-বৈষ্ণৱ আন্দোলনে বিশেষভাৱে অসমত গা কৰি উঠে। এই আন্দোলনক ভয়ংকৰ ৰূপ লোৱাৰ পৰা উদ্ধাৰ কৰা ব্যক্তিজনেই আছিল শ্ৰীমন্ত শংকৰদেৱ। এইক্ষেত্ৰত শংকৰদেৱৰ উপৰিও বৰঙণি আগবঢ়োৱা ব্যক্তিসকলৰ ভিতৰত আছিল মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আৰু তেওঁলোকৰ শিষ্য-প্ৰশিষ্য, সন্ত-মহন্তসকল উল্লেখযোগ্য। এই নৱ-বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱৰ ফলতেই অসমত প্ৰতিষ্ঠা হৈছিল সত্ৰসমূহ।

'সত্ৰ' শব্দটোৰ উৎপত্তি কেতিয়া আৰু কেনেদৰে হৈছিল সেই সম্পৰ্কত মন্তব্য দিয়াটো কঠিন। মহাপুৰুষ শংকৰদেৱে অসমত সত্ৰ প্ৰতিষ্ঠা কৰিলে যদিও তেখেতে 'সত্ৰ' শব্দটো প্ৰয়োগ কৰা নাছিল। তাৰ সলনি তেওঁ সেই অনুষ্ঠানবোৰক বুজাবলৈ 'দেৱগৃহ' বা 'হৰি গৃহ' আদি শব্দৰহে প্ৰয়োগ কৰিছিল। সেই সময়ত সত্ৰৰ ঠাইত থান/স্থান আদিৰহে ব্যৱহাৰ লক্ষ্য কৰা যায়। শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰে তেওঁৰ ৰচনাত বৰদোৱা সত্ৰক বুজাবলৈ 'স্থান' শব্দটোৰ ব্যৱহাৰ কৰিছে। আনহাতে, বৰপেটা, মধুপৰ আদি পৱিত্ৰ ঠাইক বুজাবলৈ 'থান' শব্দ প্ৰয়োগ হৈছিল। শংকৰদেৱে কীৰ্তনত লিখিছে-

তোমাৰ চৰণ চিত্তি          যথাত ভকত থাকে
সেহি পুণ্য তীৰ্থস্থান।[২]

ই যি কি নহওক বৈষ্ণৱ ভক্তি চৰ্চাৰ কেন্দ্ৰস্বৰূপ সন্দেহৰ অৱকাশ থকা দেখা যায়। আমবাৰীৰ শিলালিপিৰ পাঠোদ্ধাৰ কৰি প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে 'সত্ৰ' শব্দটো ত্ৰয়োদশ শতিকাৰ পৰা প্ৰচলিত আছিল বুলি মত প্ৰকাশ কৰে। আনহাতে, সত্যেন্দ্ৰ নাথ শৰ্মাই কিন্তু শিলালিপিৰ জৰাজীৰ্ণ অৱস্থা ছাই এই কথাত একমত হ'ব পৰা নাই। কিয়নো তেখেতেন্নন্ত কন্দলীয়ে 'বৃত্ৰাসুৰ বধ' কাব্যত তেওঁৰ পিতৃ ৰত্ন পাঠকে হাজোত সত্ৰ প্ৰৱৰ্তায় ভাগৱত ব্যাখ্যা কৰাৰ কথা উল্লেখ কৰিছে।[৩] অৱশ্যে ৰত্ন পাঠকে প্ৰতিষ্ঠা কৰা সত্ৰও স্বকীয় বিশেষত্বৰে গঢ়ি উঠিব পৰা নাছিল।

**১.০৩ সত্ৰৰ সংজ্ঞা ঃ**

'সত্ৰ' শব্দৰ অৰ্থ বিশেষভাৱে মনকৰিবলগীয়া। যেনে - সৎ+ত্ৰ = সত্ৰ। সৎ মানে ধাৰ্মিক লোক আৰু 'ত্ৰ' মানে উদ্ধাৰ কৰা। অৰ্থাৎ সৎ লোকক উদ্ধাৰ কৰা। তদুপৰি যজ্ঞ, ধৰ্মস্থান, দাতব্য, যোগ, সদাব্ৰত, ভোজনালয়, সৰোবৰ, গৃহ, অৰণ্য, সদাদান আদি অৰ্থত 'সত্ৰ' শব্দৰে বুজোৱা হয়। 'সত্ৰ' শব্দটি বিভিন্ন গ্ৰন্থত বিভিন্ন অৰ্থত প্ৰয়োগ কৰা হৈছে। ভাগৱতৰ প্ৰথম স্কন্ধত 'সত্ৰ' শব্দৰ প্ৰয়োগ পোৱা যায়, এনেদৰে-

'নিমিশে নিমিষ ক্ষেত্ৰে ঋষভ ঃ শৌণকাদয়ঃ
সত্ৰং স্বৰ্গায় লোকায় সহস্ৰ সমসাসত।'

(দেৱগোস্বামী, কেশৱানন্দ (২০০০), সত্ৰ সংস্কৃতিৰ ৰূপৰেখা)

অৰ্থাৎ বিষ্ণু ক্ষেত্ৰ নৈমিষাৰণ্যত শৌণকাদি ঋষি সকলে স্বৰ্গ প্ৰাপ্তিৰ কাৰণে সহস্ৰ বছৰ ধৰি যি অনুষ্ঠান পাতিছিল সেয়ে সত্ৰ। শংকৰদেৱে শৌণকাদি ঋষিসকলৰ ভাগৱত সত্ৰৰ বৰ্ণনা এনেদৰে দিছিল ঃ

'আঠাইশ সহস্ৰ ঋষি বেদত প্ৰধান।
বিষুৰ নৈমিষ ক্ষেত্ৰ মহাপুণ্য স্থান।।
মান্য কৰি সূতক পাতিলা সত্ৰ তথা।
শৌণক প্ৰমুখ্যে শুনি ভাগৱত কথা।।

শংকৰদেৱে কৰা ভাগৱতৰ দ্বাদশ স্কন্ধত অনুবাদত 'সত্ৰ' শব্দটো আকৌ ঋষিসকলে কৰা যজ্ঞাদি কৰ্মৰ অৰ্থত ব্যৱহাৰ কৰিছে। যেনে-

অথৰ্ববেদীয় বিপ্ৰসমস্তক আনি।
পাতিলন্ত সৰ্পসত্ৰ মহাকুণ্ড খানি।।[৪]

সেইদৰে 'সত্ৰ' শব্দৰ সংজ্ঞা বিভিন্ন পণ্ডিতে তেওঁলোকৰ গ্ৰন্থত বিভিন্নধৰণে আগবঢ়াইছে। যেনে -

'যত্ৰাচৰিন্ত সদ্ধৰ্মান কেৱলা ভগৱৎ প্ৰিয়াঃ
নৱধা ভগৱদ্ভক্তি প্ৰত্যহং যত্ৰ বিদ্যতে
তৎ সত্ৰং উত্তম ক্ষেত্ৰং বৈষ্ণৱ সুৰ-বন্দিতম্
তত্ৰস্থা বৈষ্ণৱাঃ সৰ্বাঃ হৰিনাম পৰায়ণা।।

(ভট্টদেৱ, বৈকুণ্ঠনাথ; শৰণ মালিকা)

সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে, 'সত্ৰ' শব্দটো সংস্কৃত 'সত্ৰ' (ত্ৰ= ত+ত+ৰ, কাৰিকৰী অসুবিধাৰ বাবে প্ৰকাশ কৰিব পৰা হোৱা নাই। ইয়াৰ পিছত এই বিশিষ্ট 'শব্দ'টো 'সত্ৰ (সং)' ৰূপে প্ৰকাশ কৰা হ'ব।) শব্দৰ পৰা আহিছে। সংস্কৃতত 'সত্ৰ' (সং) মানে হ'ল দীৰ্ঘকালীন যজ্ঞ আৰু অন্ন জলাদি বিতৰণৰ স্থান (অন্ন সত্ৰ, জল সত্ৰ)। যিহেতুকে 'সত্ৰ' (সং) ক (যজ্ঞক) উপলক্ষ কৰি ভাগৱত চৰ্চা হৈছিল আৰু হৰিভক্তিৰ মাহাত্ম্য প্ৰকাশ হৈছিল, সেইকাৰণে অসমীয়া বৈষ্ণৱসকলে 'নৈমিষা সত্ৰ' (সং)ৰ লাক্ষণিক অৰ্থকে প্ৰধানভাৱে গ্ৰহণ কৰি বৈষ্ণৱ ভক্তিৰ কেন্দ্ৰ আৰু ভক্তিসকলৰ সংযোগ স্থল অৰ্থত 'সত্ৰ' শব্দটো প্ৰয়োগ কৰিবলৈ ধৰে।'

**১.০৪ সত্ৰৰ বিকাশ ঃ**

বৈষ্ণৱ ধৰ্ম পালন আৰু প্ৰচাৰাৰ্থে গুৰু-শিষ্য সমন্বিতে হোৱা অনুষ্ঠানসমূহক কেন্দ্ৰ কৰিয়ে 'সত্ৰ'

শব্দটোৱে অসমত প্ৰৱেশ কৰে। সত্ৰস্বৰূপ এনেদৰে নিৰ্দ্ধাৰণ কৰা হয় যদিও ইয়াৰ উদ্দেশ্য আৰু কৰ্তব্য সিমানতে সীমাৱদ্ধ নাথাকি; নৱধা ভক্তিৰ শ্ৰৱণ আৰু কীৰ্তনৰ লগতে সাহিত্য, সংগীত, নৃত্য, নাট্য, স্থাপত্য-ভাস্কৰ্য আদি কলাসমূহৰ চৰ্চা আৰু অনুশীলনো সত্ৰৰ লগত সংযুক্ত হ'ল। আনহাতে, সত্ৰৰ আৱয়বিক ৰূপৰ ক্ষেত্ৰতো নামঘৰ, মণিকূট, চাৰি হাটিৰ লগত গুৰুগৃহ, ভঁৰালঘৰ, অতিথিশালা, কৰাপাট, আদিৰ নিৰ্মাণেৰে সত্ৰৰ আকাৰৰ প্ৰসাৰ ঘটিল। সত্ৰীয়া জীৱনধাৰাৰ প্ৰণালীসমূহক প্ৰধানতঃ তিনিটা ভাগত বিভক্ত কৰা হয়- উদাসীন সত্ৰ, অৰ্দ্ধ উদাসীন সত্ৰ আৰু গৃহস্থী সত্ৰ। অৱশ্যে অসমত প্ৰায় সংখ্যক সত্ৰতেই সত্ৰাধিকাৰ, ডেকাসত্ৰাধিকাৰ সকলৰ গৃহস্থী জীৱন-যাপন কৰা দেখা যায়। মাজুলীৰ আউনীআটি, দক্ষিণপাট, কমলাবাৰী সত্ৰ আদিতহে উদাসীন জীৱন-যাপন কৰা পৰম্পৰা এতিয়াও প্ৰচলন আছে।

এনেধৰণৰ পূৰ্ণ পৰ্যায়ৰ সত্ৰ শংকৰদেৱৰ হাতত নিৰ্মাণ হোৱা নাছিল। এই দিশত অগ্ৰণী ভূমিকা লৈছিল দামোদৰদেৱ আৰু মাধৱদেৱেহে; দামোদৰদেৱৰ হাততে পাটবাউসীত প্ৰতিষ্ঠা হোৱা পূৰ্ণ পৰ্যায়ৰ প্ৰথমখন সত্ৰৰ আৰ্হি পোৱা যায়। এই সত্ৰখনৰ আৰ্হি দেখি শংকৰদেৱেও সন্তোষ পাইছিল। পাটবাউসীত প্ৰতিষ্ঠা হোৱাৰ পিছতেই হৰিদেৱে মানেৰিত, মাধৱদেৱে সুন্দৰীদিয়া, গণককুছি আৰু বৰপেটাত সত্ৰ প্ৰতিষ্ঠা কৰে। ফলস্বৰূপে, সাধাৰণ জনতা আৰু সত্ৰৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক গঢ় লৈ উঠে। সত্ৰৰ ভকত-বৈষ্ণৱে লাভ কৰাৰ দৰে এই সাধাৰণ লোকসকলেও ব্যক্তিগত, নৈতিক আৰু আধ্যাত্মিক শিক্ষা লাভ কৰিবলৈ সক্ষম হৈ পৰে। ফলত বিবিধ প্ৰয়োজনত সত্ৰৰ সংখ্যা বৃদ্ধি হয় আৰু ইয়াৰ লক্ষ্য, উদ্দেশ্যও ব্যাপক হৈ পৰে।

শংকৰদেৱৰ পৰৱৰ্তী সময়ত মহাপুৰুষীয়া ধৰ্মক চাৰিটা ঠালত বিভক্ত কৰা হয় যদিও সত্ৰসমূহৰ প্ৰতিষ্ঠাৰ মূল লক্ষ্য আৰু উদ্দেশ্যৰ ফালৰ পৰা কোনো সংহতিয়ে ফালৰি কাটি নাহিল। সেই চাৰিটা সংহতি বা সংযতি হ'ল - নিকাসংহতি, ব্ৰহ্ম সংহতি, পুৰুষ সংহতি আৰু কাল সংহতি। ইয়াৰে নিকাসংহতি ধাৰাটো অনুসৰণ কৰিছিল শ্ৰীশ্ৰী মাধৱদেৱ আৰু তেওঁৰ অনুগামীসকলে; দ্বিতীয়তে, ব্ৰহ্মসংহতি অনুসৰণ কৰিছিল শ্ৰীদামোদৰদেৱৰ অনুগামীসকলে (এই ধাৰাটোৰ প্ৰৱৰ্তক শ্ৰীহৰিদেৱ) পুৰুষ সংহতি অনুসৰণ কৰিছিল শ্ৰী পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰে আৰু শ্ৰীমন্ত শংকৰদেৱৰ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ অনুগামী শ্ৰীগোপালদেৱ আতাৰ অনুগামীসকলৰ ধাৰাটোক কাল সংহতি বুলি জনা যায়। আনহাতে শ্ৰী গোপালদেৱ আতাৰ অন্যতম শিষ্য শ্ৰী অনিৰুদ্ধদেৱৰ অনুগামীসকলে অনুসৰণ কৰা ধাৰাক মোৱামৰীয়া বা মোৱামৰা ধাৰা (কাল সংহতিৰে ধাৰা) বুলি ধৰা হয়।

কালক্ৰমত ধৰ্মগুৰুসকলৰ বংশধৰ, অনুগত শিষ্য, প্ৰজ্ঞাপৰসকলে ঠায়ে ঠায়ে সত্ৰ পাতে। সত্ৰসমূহক মূল, শলবন্তি, অজ্ঞাপৰ এই তিনি ধৰণেও ভাগ কৰা হয়। মূল সত্ৰ বুলিলে যিবোৰ সত্ৰ মহাপুৰুষসকলে নিজে স্থাপন কৰিছিল সেই সত্ৰসমূহক বুজা যায়। আনহাতে, যিবোৰ সত্ৰ গুৰুৰ আজ্ঞানুসৰি তেওঁৰ মুখ্য শিষ্যই প্ৰতিষ্ঠা কৰে, তেনে সত্ৰক আজ্ঞাপৰ সত্ৰ আৰু যিবোৰ সত্ৰত মূল সত্ৰৰ কোনো বস্তুক মূল্যৱান সম্পদ জ্ঞান কৰি সেই সম্পদ প্ৰতিষ্ঠা কৰি নতুন সত্ৰ পাতে তাকে শাখা বা শলাবন্তি সত্ৰ বোলে। অৱশ্যে শলাবন্তি বা শাখা সত্ৰসমূহত সম্পূৰ্ণ সত্ৰীয়া ৰীতি-নীতি মানি চলা নহয়। অসমত মূং আৰু আজ্ঞাপৰ সত্ৰৰ তুলনাত শাখা সত্ৰৰ সংখ্যাই অধিক পোৱা যায়। এনেদৰে বহু ঠায়ে ঠায়ে সত্ৰ পতাৰ ফলত কিছুমানত সত্ৰৰ সংখ্যা বেছি আৰু বহু ঠাইত তেনে নোহোৱাৰ বাবে সত্ৰৰ সংখ্যা কম। বৃটিছ ৰাজত্বৰ আগলৈকে

কোচবিহাৰকে ধৰি অসমত ৫০২ খন সত্ৰ থকাৰ সম্ভেদ পোৱা গৈছে যদিও আহোম ৰজাঘৰে পঞ্জীৱদ্ধ কৰা সত্ৰ সংখ্যা আছিল ১২৮০ খন। তিতাবৰতেই প্ৰায়  ১০ খন মান সত্ৰ আছে।

---

১)  বুদ্ধীন্দ্ৰনাথ শইকীয়াৰ (সম্পা.) 'হীৰক ৰশ্মি (স্মৃতিগ্ৰন্থ)'ৰ হৃদয় কুমাৰ বৰুৱাৰ 'তিতাবৰ অঞ্চলৰ সত্ৰসমূহৰ এক চমু পৰিচয়' প্ৰবন্ধটোৰ পৰা লোৱা হৈছে। (পৃষ্ঠা-২০২)

২)  কেশৱানন্দ গোস্বামীৰ, 'সত্ৰ সংস্কৃতিৰ ৰূপৰেখা'ৰ (পৃঃ ১২) পৰা লোৱা হৈছে।

৩)  উপেন্দ্ৰ বৰকটকী সম্পাদিত  'দাপোনত কলিয়াবৰ' গ্ৰন্থখনত প্ৰকাশিত গৌতম বৰাৰ 'কলিয়াবৰ অঞ্চলৰ সত্ৰানুষ্ঠান' প্ৰৱন্ধটিৰ পৰা লোৱা হৈছে। (পৃঃ ১৫৩)

৪)  সামাজিক মাধ্যমত উপলব্ধ 'অসমৰ সত্ৰীয়া সংস্কৃতি আৰু নামঘৰ' (PDF) নামৰ আলোচনা পত্ৰখনৰ ৬৭ নং পৃঃৰ পৰা লোৱা হৈছে।

# দ্বিতীয় অধ্যায়

# দ্বিতীয় অধ্যায়

## চিপহা সত্ৰৰ পৰিচয়

### ২.০১ চিপহা সত্ৰৰ উৎপত্তি ঃ

অসমৰ এখন ঐতিহ্যমণ্ডিত ঠাই হৈছে যোৰহাট। যোৰহাট জিলাৰ অন্তৰ্গত তিতাবৰৰ পশ্চিম দিশত অৱস্থিত চিপহা সত্ৰখন। চিপহা সত্ৰখনৰ সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে 'তিতাবৰ' নামটোনো কেনেকৈ হ'ল সেই সম্পৰ্কে সম্যক ধাৰণা এটা দিবলৈ চেষ্টা কৰা হৈছে, 'তিতাবৰ' নামটো আহোম স্বৰ্গদেউ সকলৰ দিনতেই উদ্ভৱ হোৱা বুলি পোৱা যায়। 'তিতাবৰ' নামটোক লৈ বহুজনে বহুধৰণে মন্তব্য দিয়া দেখা যায়। কিছুমান ব্যক্তিৰ কথিত কাহিনী অনুসৰি 'বৰ্তমানৰ তিতাবৰ তিনি আলিৰ কাষতে থকা এম.আৰ.এছ. স্কুলৰ ওচৰতে তিতাৰাম নামৰ এজন সাধাৰণ ব্যক্তিয়ে এজোপা বৰগছ ৰোপণ কৰিছিল বাটৰুৱাই জিৰণি ল'ব বুলি। এই 'বৰ' জোপাৰ তলতেই বাটৰুৱাই চৌফলীয়া ৰ'দত অকণমান জিৰণীৰ ঠাই বিচাৰি পাইছিল। মানুহৰ মুখে মুখে তিতাৰামে ৰোপণ কৰা 'বৰ' জোপাৰ কথা সকলোতে বিয়পি পৰিল। এনেদৰেই তিতাৰামে ৰোৱা 'বৰ' জোপাৰ পৰাই প্ৰথমে 'তিতাই ৰোৱা বৰ' বুলি কোৱা হৈছিল যদিও পৰৱৰ্তী সময়ত 'তিতাবৰ' বুলি পৰিচিত হৈ পৰে।'

ই যিকি নহওক চিপহা সত্ৰখনক প্ৰকৃতাৰ্থত 'হামদৈ চিপহা নামেৰেহে জনা যায়। গুৰুজনাৰ নাতি পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ শ্ৰীকৃষ্ণ চৰণ দেৱৰ দ্বাৰা প্ৰতিষ্ঠিত চিপহা সত্ৰখন অসমৰ মহাপুৰুষীয়া পুৰুষ সংহতিৰ বৰ - বাৰজনীয়া মূলৰ সত্ৰসমূহৰ ভিতৰত এখন প্ৰধান সত্ৰ। শ্ৰীমন্ত শংকৰদেৱৰ পেহাক বুঢ়াখা ভূএগ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ গাংমৌত আছিল। এইজনা বুঢ়াখা ভূএগৰে পুত্ৰ নিৰঞ্জন ৰায়। নিৰঞ্জন ৰায়ৰ তিনিজন পুত্ৰ ক্ৰমে কৃষ্ণচৰণ দেৱ, মূৰাৰী দেৱ আৰু অনিৰুদ্ধ দেৱ। এইজনা কৃষ্ণচৰণদেৱ গুৰুজনাৰ নাতি পুৰুষোত্তম ঠাকুৰৰ লগত একেলগে মাধৱদেৱৰ ওচৰত শিক্ষা গ্ৰহণ কৰিছিল। গুৰু পত্নীৰ অনুৰোধ ক্ৰমে ৯ (ন) বছৰ বয়সতে কৃষ্ণচৰণদেৱক গুৰুজনে শৰণ দিয়ে আৰু এইজনা কৃষ্ণচৰণদেৱকে গুৰুনাতি পুৰুষোত্তম ঠাকুৰে বাৰ মহন্তৰ লগত নিৰ্মালি দি গুৰু ধৰ্মৰ আচাৰ্য পাতি সত্ৰ সভা পাতি অসম ভূমিত মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ কৰিবলৈ ভাৰ অৰ্পণ কৰিলে।

যিহেতু শ্ৰীকৃষ্ণচৰণদেৱৰ মূল সত্ৰখন ককাক বুঢ়াখা ভূএগৰ পুৰণা ভেটি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত থকা গাংমৌতে প্ৰতিষ্ঠা কৰা হৈছিল। পৰৱৰ্তীসময়ত শ্ৰীশ্ৰী গোপাল মহন্তদেৱৰ অনুৰোধত কালসংহতিৰ বৰ যদুমণি দেৱক গাংমৌত সত্ৰ পাতিবলৈ এৰি দি শ্ৰী কৃষ্ণচৰণ দেৱে নদী পাৰ হৈ আহি খুটাৰ গুৰি অঞ্চলত ভকতসকলক গোটাই আনি সত্ৰখন স্থাপন কৰে। (১৮১৯-১৮২৬)

অসমত তিনিবাৰকৈ মানৰ আক্ৰমণ সংঘটিত হৈছিল। এই আক্ৰমণৰ ফলতেই দেশখনৰ সাধাৰণ জনতাৰ অৱস্থা অবৰ্ণনীয় হৈ পৰে। মানুহে অত্যাচাৰৰ ভয়ত পলাই গৈ হাবিয়ে বননীয়ে আশ্ৰয় ল'ব লগা হৈছিল। মানৰ দ্বিতীয় অসম আক্ৰমণৰ সময়ত অৰ্থাৎ ১৮২০ চন মানত খুটাৰ গুৰি তথা শদিয়াৰ পৰা তিনিজন ভকত বৈষ্ণৱ (ইয়াৰে এজন গোঁসাই, আন দুজন হৈছে- চুতীয়া আৰু কেওট সম্প্ৰদায়ৰ ভকত) পলাই আহি উজনি অসমৰ ডিব্ৰুগড় জিলাৰ চাবুৱাত এখন সত্ৰ প্ৰতিষ্ঠা কৰেষ আগৰ দিনত শাক-পাচলি, মাছ-গাখীৰ, খৰি-কাঠ আদিৰ সুবিধা কমি আহিলে নতুন ঠাইলৈ উঠি গৈ সত্ৰ পতাৰ উদাহৰণ চৰিত

পুথিসমূহত পোৱা যায়। ঠিক এনেধৰণৰ অসুবিধাৰ সন্মুখীন হোৱাৰ ফলতেই এই চনৰে পৰৱৰ্তী সময়ত চাবুৱাৰ পৰা উঠি আহি চিপহা সত্ৰখনিয়ে তিতাবৰ অঞ্চলৰ বছা অঞ্চলত প্ৰথমে থিতাপি লৈছিল যদিও সেই অঞ্চলত কিছু অসুবিধা (বিশেষকৈ খোৱা পানীৰ)ৰ সন্মুখীন হোৱাত এই সত্ৰখনৰ প্ৰধান পৃষ্ঠপোষক প্ৰসিদ্ধ ঘিউ বৰুৱাৰ আশ্ৰয়ত হামদৈ পথাৰৰ কুমাৰ বাৰীত সত্ৰখন পুনৰ বাৰ প্ৰতিষ্ঠা কৰা হয়, কিন্তু কুমাৰবাৰীতো মাটিকালীন সমস্যা সৃষ্টি হোৱাত হামদৈ পথাৰৰ দক্ষিণ-পশ্চিম সীমা তথা দাঁতিকাষৰীয়া গাঁও যেনে-মেজেঙ্গা গ্ৰাণ্ট, তাঁতী গাঁও আৰু বগাৰ গাঁৰৰ কেন্দ্ৰ (য'ত বৰ্তমান সত্ৰখন অৱস্থিত)ত প্ৰতিষ্ঠা কৰা হয়। কুমাৰবাৰী অঞ্চলত এতিয়াও সত্ৰৰ মাটি আছে আৰু সত্ৰখনৰ প্ৰথম নিদৰ্শন বুলি ক'বলৈ গ'লে কুমাৰবাৰী অঞ্চলত প্ৰতিষ্ঠিত হোৱা সত্ৰখনৰ কথাকে ক'ব লাগিব। বৰ্তমান সময়তো পৃষ্ঠপোষক প্ৰসিদ্ধ ঘিউ বৰুৱাৰ নাতি-পৰিনাতি সকলৰ ভিতৰত স্বৰ্গীয় লীলা বৰুৱাৰ পৰিয়াল, সৰ্বশ্ৰী নীলিম বৰুৱা, প্ৰতিম বৰুৱা তথা বৰ্তমান সময়ৰ তিতাবৰৰ বিধায়ক শ্ৰী ভাস্কৰজ্যোতি বৰুৱা আদি বিশিষ্ট লোকসকলে সত্ৰখনক পৃষ্ঠপোষকতা কৰি আছে। এই সত্ৰখন প্ৰতিষ্ঠা হোৱাৰ ক্ষেত্ৰত উল্লেখিত বৰুৱা পৰিয়ালৰ অৱদান গুৰুত্বপূৰ্ণ।

প্ৰকৃতাৰ্থত তিতাবৰৰ 'হামদৈ চিপহা সত্ৰ'খনৰ প্ৰতিষ্ঠাকালৰ সন্দৰ্ভত সঠিক তথ্য দাঙি ধৰাটো সম্ভৱ নহ'ল। কিয়নো শ্ৰীঁ চন্দ্ৰকান্ত মহন্তদেৰৰ 'তিতাবৰ স্মৃতি' গ্ৰন্থখন (অসম সাহিত্য সভাৰ অধিৱেশন)ত প্ৰকাশিত 'অসমৰ সত্ৰানুষ্ঠান আৰু তিতাবৰ অঞ্চলৰ সত্ৰসমূহৰ পৰিচয়' নামৰ প্ৰৱন্ধটিত ১৮১৬-১৭ খৃঃত এই অঞ্চললৈ এই সত্ৰ স্থানান্তৰিত হয় বুলি উল্লেখ আছে; 'উপেন চন্দ্ৰ মহন্তদেৱে ছপা কৰা 'বিৱৰ্তনৰ পথত হামদৈ চিপহা সত্ৰ' নামৰ পুস্তিকা পত্ৰখনত ১৮২০ চনত বুলি উল্লেখ কৰিছে; তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ স্মৃতিগ্ৰন্থ 'হীৰক ৰশ্মি' গ্ৰন্থখনত প্ৰকাশ পোৱা হৃদয় কুমাৰ বৰুৱাৰ 'তিতাবৰ অঞ্চলৰ সত্ৰসমূহৰ এক চমু পৰিচয়' প্ৰৱন্ধটিত ১৮২০ চন বুলিয়ে উল্লেখ কৰিছে। আনহাতে এই সত্ৰখনলৈ সোমাই যোৱা মূল তোৰণখনৰ চাইন বৰ্ডত ১৬০৯ খ্ৰীষ্টাব্দ (১৫৩১ শকাব্দ) বুলি উল্লেখ আছে। হয়তো ১৬০৯ খ্ৰীষ্টাব্দতেই তিতাবৰ অঞ্চলৰ 'হামদৈ চিপহা সত্ৰখনৰ মূল সত্ৰখন প্ৰতিষ্ঠা কৰা হৈছিল।

### ২.০২ চিপহা সত্ৰৰ নামকৰণ ঃ

শ্ৰীকৃষ্ণ চৰণ দেৱৰ মূল সত্ৰখন যিহেতু ককাক বুঢ়াখা ভূএঞাৰ পুৰণা ভেটি গাংমৌতে প্ৰতিষ্ঠা কৰা হৈছিল। এই সত্ৰ লৈ এটা সৰু জান পাৰ হৈ অহা-যোৱা কৰিব লগা হৈছিল। এজোপা আঁহত গছৰ শিপাই জানখনৰ ইপাৰ-সিপাৰ সংলগ্ন কৰি ৰাখিছিল। এই শিপাডালেৰে সাঁকো বগাই মানুহে বাৰিষাকালত সত্ৰলৈ অহা-যোৱা কৰিছিল। কথিত কথা যে, এই শিপাডালৰ পৰাই এই সত্ৰখনৰ নাম 'শিপহা' হয়। কালক্ৰমত মানুহৰ মুখ বাগৰি 'শিপহা' ৰ পৰা 'চিপহা' নামেৰে জনাজাত হৈ পৰিল। কিন্তু প্ৰয়াত সত্ৰাধিকাৰ চন্দ্ৰকান্ত মহন্তদেৱে ১৯৭৫ চনত প্ৰকাশিত 'তিতাবৰ স্মৃতি' গ্ৰন্থ (তিতাবৰ সাহিত্য সভাৰ অধিৱেশনক কেন্দ্ৰ কৰি প্ৰকাশিত এই গ্ৰন্থখন)খনত 'চুপহা' বুলি উল্লেখ কৰিছে।

আনহাতে এই সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ শ্ৰী চাৰুচন্দ্ৰ মহন্তদেৱ পুৰুষ খনিকৰি বিদ্যাত বিশ্বকৰ্মা সদৃশ লোক আছিল। তেখেতেই সত্ৰখনত থকা কঠাৰ সিংহাসন, ঠগা, গছা, গৰুড় আৰু জয়-বিজয়ৰ মূৰ্তি নিৰ্মাণ কৰিছিল। বিশেষকৈ আউনিআটী সত্ৰৰ সত্ৰাধিকাৰে এই সত্ৰৰ পৰা জয়-বিজয়ৰ মূৰ্তি খোজাই নিয়াৰ পিছত চাৰুচন্দ্ৰ মহন্তদেৱক বাসুদেৱ মহাপ্ৰভুৱে জয়-বিজয়ৰ মূৰ্তি আঁতৰ কৰোৱাত কোপিত হৈ স্বপ্ন

কৰালে আৰু সাত দিনৰ ভিতৰত নতুন জয়-বিজয়ৰ মূৰ্তি কাটি সিংহদ্বাৰত প্ৰতিষ্ঠা কৰিব লাগিব বুলি কয়। তেওঁ এই স্বপ্নৰ কথা সকলোৰে আগত অৱগত কৰোৱাত সকলোৱে তেওঁক মূৰ্তি নিৰ্মাণ কৰিবৰ বাবে কাঠ আনি দিলে। তেখেতে সাতোটা দিনেই ৰাতিয়ে-দিনে কাম কৰি মূৰ্তি নিৰ্মাণ কৰি উলিয়ায় ৰং গৰ্জ্জন সানি আগৰ ঠাইত পুনৰ বাৰ প্ৰতিষ্ঠা কৰি এই সত্ৰৰ বাবে এক গৌৰৱোজ্জল ঐতিহ্যমণ্ডিত বুৰঞ্জীৰ সূচনা কৰি থৈ গ'ল। এইজনা সত্ৰাধিকাৰৰ নাম অনুসৰিও এই সত্ৰখনক 'চাৰু চিপহা' নামেৰে জনা গৈছিল।

অৱশ্যে এই সত্ৰখন তিতাবৰৰ পশ্চিম দিশৰ বৃহত্তৰ হামদৈ পথাৰৰ দাঁতিতেই অৱস্থিত হোৱা হেতুকে 'হামদৈ চিপহা সত্ৰ' নামেৰে আহোম ৰজাৰ দিনত নামকৰণ কৰা হয়। বৰ্তমান সময়ত এই সত্ৰখনক 'হামদৈ চিপহা সত্ৰ' বুলি পৰিচিত হৈ পৰে।

২.০৩ **চিপহা সত্ৰৰ ভৌগলিক অৱস্থান আৰু জনসংখ্যা ঃ**

তিতাবৰ চহৰৰ পৰা দুই-আঢ়ৈ মাইলমান পশ্চিম দিশত থকা বৃহত্তৰ হামদৈ পথাৰৰ দাঁতিয়েই (পূব/উত্তৰ দিশত) মূল 'হামদৈ চিপহা সত্ৰ'খন অৱস্থিত। সত্ৰখন যোৰহাট জিলাৰ পৰা ২০ কিঃমিঃ আঁতৰত অৱস্থিত। সত্ৰখনলৈ যোৰহাট আৰু গোলাঘাঠ জিলাক সংযোগ কৰা ধোদৰ আলিৰে (৩৭ নং ৰাষ্ট্ৰীয় ঘাঁইপথ) আহি তিতাবৰত থকা তৃতীয় অসম আৰক্ষী বাহিনীৰ বেটেলিয়ান পাৰ হৈ সোমাব লাগিব। আনহাতে, যোৰহাটৰ পৰা দক্ষিণ দিশত থকা তিতাবৰৰ বগাৰ গাঁৱৰ মাজেৰে আহিলে সত্ৰখনলৈ প্ৰায় ১৬-১৭ কিঃমিঃ মান হ'ব; কিন্তু তিতাবৰ চহৰৰ পৰা মেজেঙ্গা গ্ৰাণ্ট হৈ ২ কিঃমিঃ (৬ মিনিট, গাড়ীৰে) আৰু তাঁতীগাঁও হৈ ৩.৫ কিঃমিঃ (৯ মিনিট) হয়।

আন সত্ৰৰ দৰে এই সত্ৰখনৰ জনসংখ্যা বৰ ঘন নহয়। সত্ৰখনত প্ৰায় ৪০ ঘৰ আছে। এই সত্ৰৰ কিছু সংখ্যক মানুহ আন ঠাইলৈ স্থানান্তৰ হৈছে। সেই সকলৰ ভিতৰত আছে শ্ৰী পৰমানন্দ মহন্তৰ পৰিয়াল (ডিব্ৰুগড়); শ্ৰী মানিকচন্দ্ৰ মহন্তৰ পৰিয়াল আৰু শ্ৰী যদু মহন্তৰ পৰিয়াল (যোৰহাট); শ্ৰী যোগেন মহন্তৰ পৰিয়াল (লক্ষীমপুৰ); শ্ৰী কিৰণ মহন্তৰ পৰিয়াল আৰু শ্ৰী গোপাল মহন্তৰ পৰিয়াল (গুৱাহাটী); শ্ৰী ৰঞ্জু মহন্তৰ পৰিয়াল (তিতাবৰৰ বেবেজীয়া গাঁৱত); শ্ৰী হৰি মহন্তৰ পৰিয়াল (তিতাবৰৰ প্ৰাগ্জ্যোতি ইংৰাজী বিদ্যালয়ৰ ওচৰত) বসবাস কৰি আছে। কিঃ মিঃ উল্লেখৰ বাবে সামাজিক মাধ্যম গুগল মেপৰ সহায় লোৱা হৈছে।

২.০৪ **চিপহা সত্ৰৰ চাৰিসীমা আৰু মাটিকালি ঃ**

চিপহা সত্ৰখনৰ পূবদিশত মেজেঙ্গা গ্ৰাণ্ট, তৃতীয় অসম আৰক্ষী বাহিনী, পশ্চিম দিশত হামদৈ পথাৰৰ এটা অংশ, এলেঙ্গী, উত্তৰ দিশত বগাৰ গাঁও, তামোলী চুক আৰু দক্ষিণ দিশত তাঁতী গাঁও, টেকেলা গাঁও আৰু হামদৈ পথাৰখনৰ আন এটা অংশ পৰে। আনহাতে, সত্ৰখনৰ দাঁতিতেই অৰ্থাৎ দক্ষিণ দিশত চিপহা বৰপুখুৰীটো আছে (এই পুখুৰীটোৱেও সত্ৰখনলৈ সৌন্দৰ্য বহন কৰিছে। অৱশ্যে এই পুখুৰীটো আহোম ৰজাৰ দিনতহে খনন কৰা হৈছিল)

বৰ্তমান সত্ৰখনৰ সৰ্বমুঠ মাটিকালি প্ৰায়ে ১০০ বিঘাৰ ওচৰা-ওচৰি। এই সত্ৰৰ মাটি তৃতীয় অসম আৰক্ষী বাহিনীৰ দ্বিতীয় তোৰণখনলৈকে লাগি আছে আৰু হামদৈ পথাৰখনৰ কিছু অংশও এই সত্ৰৰে মাটি হয়। সত্ৰখনত বসবাস কৰা লোকসকলে এই পথাৰতেই পূৰ্বৰে পৰা খেতি-বাতি কৰি জীৱন নিৰ্বাহ কৰি আছে।

# তৃতীয় অধ্যায়

# তৃতীয় অধ্যায়

## চিপহা সত্ৰৰ অৱদান

### ৩.০১ চিপহা সত্ৰৰ সামাজিক অৱদান ঃ

**ক) হামদৈ চিপহা সত্ৰৰ সত্ৰাধিকাৰসকলৰ পৰিচয় আৰু তেওঁলোকে সামাজিক দিশত আগবঢ়োৱা অৱদানসমূহ ঃ**

অসমৰ প্ৰতিখন সত্ৰ সুপৰিকল্পিতভাৱে পৰিচালনা কৰিবৰ বাবে কিছুমান বিষয়ববীয়া নিয়োজিত কৰা হয়। সত্ৰ প্ৰশাসন নিৰ্ভৰ কৰে বিশেষকৈ ইয়াৰ ওপৰত। সত্ৰ এখনৰ পৰিচালনাৰ ক্ষেত্ৰত বিশেষ দায়িত্ব থাকে সত্ৰৰ মূল সত্ৰাধিকাৰ আৰু ডেকা সত্ৰাধিকাৰৰ। এই সত্ৰাধিকাৰসকলে নিজ নিজ সত্ৰলৈ বহুতো অৱদান আগবঢ়াইছে। যিবোৰ অৱদানে সত্ৰখনক সমাজৰ আগত পৰিচয় কৰাই দিছে। ঠিক সেইদৰে চিপহা সত্ৰৰ সত্ৰাধিকাৰ সকলেও বহুতো অৱদান আগবঢ়াই থৈ গৈছে। সেই সম্পৰ্কে তলত আলোচনা কৰা হ'ল-

**১) শ্ৰীকৃষ্ণচৰণ মহন্ত ঃ**

হামদৈ চিপহা সত্ৰখন প্ৰতিষ্ঠা কৰিছিল শ্ৰীকৃষ্ণ চৰণ মহন্তদেৱে। তেখেত আছিল নিৰঞ্জন ৰায়ৰ পুত্ৰ। নিৰঞ্জন ৰায় আছিল শ্ৰীমন্ত শংকৰদেৱৰ পেহাক বুঢ়াখা ভূঞাৰ পুত্ৰ। নিৰঞ্জন ৰায়ৰ তিনিজন পুত্ৰ ক্ৰমে কৃষ্ণচৰণ দেৱ, মূৰাৰী দেৱ আৰু অনিৰুদ্ধ দেৱ। এইজনা কৃষ্ণ চৰণ দেৱে গুৰুজনাৰ নাতি পুৰুষোত্তম ঠাকুৰৰ লগত একেলগে মাধৱদেৱৰ ওচৰত শিক্ষা গ্ৰহণ কৰিছিল। গুৰুজনাৰ প্ৰয়ানৰ সময়ত কৃষ্ণ চৰণ দেৱৰ বয়স আছিল ন বছৰ। গুৰু পত্নীৰ অনুৰোধ ক্ৰমে ন বছৰ বয়সতে কৃষ্ণচৰণ দেৱক গুৰুজনে শৰণ দিয়ে আৰু গুৰুনাতি পুৰুষোত্তম ঠাকুৰে বাৰ মহন্তৰ লগতে নিৰ্মালি অৰ্পণ কৰি গুৰু ধৰ্মৰ আচাৰ্য পাতি সত্ৰ সভা পাতি অসম ভূমিত মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ কৰিবলৈ ভাৰ দিয়ে।

**২) বলোৰাম মহন্ত ঃ**

কৃষ্ণচৰণ মহন্তদেৱৰ পিছৰজন সত্ৰাধিকাৰ আছিল বলোৰাম মহন্ত। এখেত আছিল কৃষ্ণচৰণ দেৱৰ জ্যেষ্ঠ পুত্ৰয যিহেতু কৃষ্ণচৰণ দেৱে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত গাংমৌত থকা সত্ৰখন নদী পাৰ হৈ খুটাৰ গুৰি অঞ্চলত ভকতসকলক গোটাই আনি সত্ৰ স্থাপন কৰে। কিন্তু বলোৰামদেৱে খুটাৰ গুৰিৰ পৰা উঠি আহি প্ৰথমে গোধাবিল আৰু তাৰ পিছত চাবুৱাৰ জৰিগুৰি থানত সত্ৰ পাতে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত পৱিত্ৰ একশৰণ নাম ধৰ্ম অসম ভূমিত প্ৰচাৰ কৰিবলৈ ধৰে। অকল ধৰ্মৰ ক্ষেত্ৰতেই নহয় নাম-প্ৰসঙ্গ, গায়ন-বায়ন, অংকীয়া ভাওনা আৰু অংকীয়া নৃত্য-গীত আৰু সত্ৰীয়া চাৰুকলা-শিল্পবিদ্যাৰো নিয়মীয়াভাৱে সাধনা কৰি বলোৰাম মহন্তকে ধৰি এই সত্ৰৰ বংশধৰসকলে প্ৰচাৰ আৰু প্ৰসাৰ কাৰ্যত ব্ৰতী হৈ পৰিল।

**৩) হৰিদেৱ মহন্ত ঃ**

এখেত আছিল সত্ৰখনৰ পঞ্চমজন অধিকাৰ। চিপহা সত্ৰৰ প্ৰতিজন অধিকাৰ বাকসিদ্ধ পুৰুষ আছিল। মানৰ অসম আক্ৰমণৰ সময়ত মান সেনাই মণিকূটত সোমাই উপাসনাত বহি থকা হৰিদেৱ

মহন্তদেৱক তৰোৱালেৰে আঘাত কৰাত তৰোৱালখন ভাগি দুটুকুৰা হৈ পৰে আৰু তেখেতৰ শৰীৰৰ পৰা স্বেতৰক্ত নিৰ্গত হ'বলৈ আৰম্ভ কৰেষ যিজন মান সেনাই হৰিদেৱক আঘাত কৰিছিল তেওঁৰ চকু কণা হৈ একো নেদেখা হৈ পৰা দেখি ভীতি বিহ্বল হৈ মান সৈন্যই এখন তৰোৱাল, এটা বন্দুক আৰু অন্যান্য সমাগ্ৰী দি হৰিদেৱ মহন্তৰ ভৰিত ধৰি ক্ষমা খোজে। সেই ভগা তৰোৱালখন এই সত্ৰতে সংৰক্ষণ কৰি ৰখা হৈছিল যদিও বৰ্তমান সময়ত আন ঠাইলৈ স্থানান্তৰ কৰা হয়।

**৪) চাৰুচন্দ্ৰ মহন্ত ঃ**

চিপহা সত্ৰৰ এখেত আছিল নৰমজন সত্ৰাধিকাৰ। চাৰুচন্দ্ৰ মহন্তদেৱ এজন পুৰুষ খনিকৰ আছিল। সত্ৰখনত থকা কাঠৰ সাতখলপীয়া সিংহাসন, ঠগা, গছা, গৰুড় আৰু জয়-বিজয় মূৰ্তি আদি তেখেতেই নিৰ্মাণ কৰিছিল। এই সত্ৰখনত থকা সাতখলপীয়া সিংহাসন আৰু জয়-বিজয় মূৰ্তিয়ে বিশেষভাৱে প্ৰতিনিধিত্ব কৰিছে। কিয়নো তিতাবৰত থকা সত্ৰসমূহৰ ভিতৰত কেৱল সাতখলপীয়া সিংহাসন এই সত্ৰতেই আছে। আনহাতে, জয়-বিজয়ৰ মূৰ্তি নিৰ্মাণ কৰি চাৰ চন্দ্ৰদেৱে সিংহদ্বাৰত প্ৰতিষ্ঠা কৰিছিল যদিও আউনিআটী সত্ৰৰ অধিকাৰ পুৰুষে মানুহ পঠিয়াই জয়-বিজয়ৰ মূৰ্তি নিজ সত্ৰলৈ খোজাই নিলে। তাল সলনি আউনিআটী সত্ৰৰ পৰা দ'ল লগা কাঠৰ বৰ শৰাই, ৰূপৰ টেমা, বটা আৰু পাতৰ চুৰীয়া-গামোচা আদি উপহাৰ স্বৰূপে দিয়ে। কিন্তু এনেকুৱা ঘটনা এটা সংঘটিত হোৱাত চিপহা সত্ৰৰ আৰাধ্য বাসুদেৱ মহাপ্ৰভুৱে জয়-বিজয়ৰ মূৰ্তি পুনৰবাৰ সাত দিনৰ ভিতৰত নিৰ্মাণ কৰি সিংহদ্বাৰত প্ৰতিষ্ঠা কৰিবৰ বাবে চাৰুচন্দ্ৰদেৱক স্বপ্ন দেখুৱায়। এই স্বপ্নৰ কথা সত্ৰৰ অন্যান্য ভকত-বৈষ্ণৱক কোৱাত সকলোৱে মিলি তেওঁক কাঠৰ যোগাৰ কৰি দিয়ে। তেওঁ সাতোটা দিনে-ৰাতিয়ে কাম কৰি জয়-বিজয়ৰ মূৰ্তি দুটি কাটি হেঙুল (হেঙ্গুল) হাঁইতোলেৰে লেখি মণিকূটৰ সিংহদ্বাৰত প্ৰতিষ্ঠা কৰি বুৰঞ্জীৰ পাতত গৌৰোৱজ্জল ঐতিহ্য গঢ়ি তোলে।

৫) ৰেৱকান্ত মহন্তদেৱ, পদ্মকান্ত মহন্তদেৱ, কেশচন্দ্ৰ মহন্তদেৱ এই তিনিজন অধিকাৰ মুখাশিল্পী আছিল। তেওঁলোকে হাতী, ঘোঁৰা, গৰু, অসুৰ আদিৰ মুখা সাজি ভাওনাত ব্যৱহাৰ কৰিছিল। লগতে পুতলা সাজিও পুতলা ভাওনাত পুতলা নচুৱাই দৰ্শকক আমোদ দিছিল। পুতলা সাজিবলৈ তেওঁলোকে বাঁহ আৰু বেত ব্যৱহাৰ কৰিছিল।

**৬) সুবোধ চন্দ্ৰ মহন্ত ঃ**

সুবোধ চন্দ্ৰ মহন্তদেৱ আছিল চিপহা সত্ৰখনৰ ত্ৰয়োদশ সত্ৰাধিকাৰ। এখেতে ঘৰতে ৰাজভাষাৰ কিতাপ আনি ইংৰাজী শিক্ষা লৈছিল। সেই অলপীয়া শিক্ষাৰেই তেখেতে 'উৰুভঙ্গ, দক্ষযজ্ঞ, সীতাহৰণ, বালিবধ আৰু কুলাচল বধ' নামৰ চাৰিখনকৈ অভিনয় উপযোগী নাট ৰচনা কৰি থৈ গৈছে।[১] তেখেত আছিল সম্পূৰ্ণৰূপে নাম-প্ৰসঙ্গ, খোল-তাল আৰু অভিনয়ৰ ক্ষেত্ৰত এজন ওজাস্বৰূপ ব্যক্তি। আনহাতে সিংহাসন, গৰুড়াসন, ঠগা, গছা আদি নিৰ্মাণতো তেখেত সিদ্ধহস্ত আছিল। সত্ৰৰ নামঘৰৰ ভিতৰত থকা ডাঙৰ গৰুড় মূৰ্তি তেখেতৰ হাতেৰে নিৰ্মিত কৰা। এইজনা সুবোধচন্দ্ৰ মহন্তদেৱ ডেকা অধিকাৰ হৈয়ে সত্ৰৰ হকে দুটা কামত মনোনিৱেশ কৰে। প্ৰথমটো হ' জীৰ্ণপ্ৰায় মণিকূট গৃহখনি পুনৰ নিৰ্মাণ কৰে। আৰু দ্বিতীয়তে সকলো ঠাইৰ পৰা সমল গোটাই চিপহা সত্ৰৰ বংশাৱলীখন একে ঠাই কৰে।[২] অধিকাৰ হৈ থকা অৱস্থাতেই তেখেতৰ ১৯৭০ চনৰ ২২ শাওনৰ দিনা পৰলোক প্ৰাপ্তি ঘটে।

---

১) উপেন চন্দ্ৰ মহন্তৰ 'বিৱৰ্তনৰ পথত হামদৈ চিপহা সত্ৰ' (এটি চমু পৰিচয়); ৬ নং পৃষ্ঠা।

২) উপেন চন্দ্ৰ মহন্তৰ 'বিৱৰ্তনৰ পথত হামদৈ চিপহা সত্ৰ' (এটি চমু পৰিচয়); ৬ নং পৃষ্ঠা।

**৭) মুহিকান্ত মহন্ত ঃ**

সুবোধ চন্দ্ৰ মহন্তদেৱৰ পৰৱৰ্তী সত্ৰাধিকাৰ আছিল মহিকান্ত মহন্তদেৱ। তেখেতে সুদীৰ্ঘ ২৭ বছৰ কাল চিপহা সত্ৰৰ গাদীত থাকি সত্ৰখনিক আগুৱাই নি ভক্তিধৰ্ম সাধনাৰ প্ৰতি সকলোকে অনুপ্ৰাণিত কৰি তুলিছিল।

জীৱনৰ শেষৰফালে ৰাম নামৰ শ্ৰোত নদী অবিৰতভাৱে তেৰাৰ মুখ পদ্মহন্তে নিৰ্গত হৈ নিজৰ লগতে সত্ৰৰ সমস্ত সত্ৰবাসীকে কৃতাৰ্থ কৰি তুলিছিল। শেষ সময়লৈকে শৰীৰৰ উজ্বলতাই সত্ৰখনিক পোহৰাই ৰখা অধিবিদ্যাৰ অধিকাৰী এইজনা পূণ্যশ্লোক অধিকাৰ পুৰুষে দিনে এক লাখকৈ নাম জপ কৰি চিপহা সত্ৰৰ পৱিত্ৰ ভূমিভাগ তীৰ্থক্ষেত্ৰত পৰিণত কৰি গ'ল। ভক্তি যোগৰ সাধনা শ্ৰমত সুদীৰ্ঘ কাল ব্ৰতী হৈ থাকি শেহান্তৰত মায়াময় সংসাৰৰ পৰা মোহ বন্ধনৰ জড়ী ছিঙি ১৯৯৮ চনৰ ৬ ডিচেম্বৰ তাৰিখে এইজনা সত্ৰাধিকাৰ পুৰুষে নশ্বৰ দেহা ত্যাগ কৰিলে।

**৮) শ্ৰী চন্দ্ৰকান্ত মহন্ত ঃ**

পঞ্চদশ অধিকাৰজন হৈছে চন্দ্ৰকান্ত মহন্তদেৱ। এখেত আছিল তিতাবৰৰ ঐতিহ্যমণ্ডিত মিহিৰাম শইকীয়া উচ্চতৰ / উচ্চতম বিদ্যালয়ৰ প্ৰথমজন প্ৰধান শিক্ষক। পৰৱৰ্তী সময়ত তেখেতে স্নাতকোত্তৰ ডিগ্ৰী লৈ অসম আৰক্ষীৰ অধ্যক্ষ ৰূপে অৱসৰ গ্ৰহণ কৰে আৰু অসম সত্ৰ মহাসভাৰ সভাপতিৰ আসনো অলংকৃত কৰে। সত্ৰ মহাসভালৈ সুদীৰ্ঘ দিন সেৱা আগবঢ়াই এইজনা মহান সত্ৰাধিকাৰ পুৰুষে 'কীৰ্তন' আৰু 'ভক্তি ৰত্নাৱলী' পুথি দুখন ইংৰাজীলৈ অনুবাদ কৰি অসমৰ মহাপুৰুষীয়া সাহিত্য সংস্কৃতিত এক ইতিহাস ৰচনা কৰিলে।[৩] এই দুখন পুথিয়ে অসম তথা ভাৰতবৰ্ষকো প্ৰতিনিধিত্ব কৰিছে বিশ্ববাসীৰ ওচৰত। চন্দ্ৰকান্ত মহন্তদেৱে ৯৩ বছৰ বয়সত বৈকুণ্ঠগামী হয়। এখেতৰ নামৰে তৃতীয় অসম আৰক্ষী বাহিনীৰ পৰা চিপহা চাৰিআলিলৈ সংযোগ কৰা ৰাস্তাটোৰ নামকৰণ কৰা হৈছে।

**৯) উপেন চন্দ্ৰ মহন্ত ঃ**

চিপহা সত্ৰৰ ষোড়শ অধিকাৰ জন হৈছে উপেনচন্দ্ৰ মহন্তদেৱ। এখেতক ডেকা অধিকাৰ হিচাপে নিৰ্মালী অৰ্পণ কৰিছিল চন্দ্ৰকান্ত মহন্তদেৱে। সত্ৰৰ মূৰ্তি ভাগৱত আৰু শৰণ-ভজন আদিৰ সমস্ত দায়িত্ব চন্দ্ৰকান্ত মহন্তদেৱে এখেতৰ ওপৰতেই দিয়ে। উপেনচন্দ্ৰ মহন্তদেৱে সত্ৰখনৰ হকে ৮ পৃষ্ঠা জোৰা এখন ছপা পত্ৰিকা প্ৰকাশ কৰি থৈ যায়। সেই পুথিখন হৈছে 'বিৱৰ্তনৰ পথত হামদৈ চিপহা সত্ৰ'।

সত্ৰাধিকাৰ হ'ল সত্ৰ এখনৰ ধাৰ্মিক আৰু আধ্যাত্মিক দিশৰ মুৰব্বী। দীক্ষা গ্ৰহণৰ অনুষ্ঠান 'শৰণ' আৰু 'ভজন' এওঁৰ প্ৰত্যক্ষ তত্বাৱধানত অনুষ্ঠিত হয়। এওঁক 'সতৰীয়া' বা 'মহন্ত' বুলি কোৱা হয়। আনহাতে ক্ষমতা আৰু সন্মানৰ ক্ষেত্ৰত সত্ৰাধিকাৰৰ পিছতে ডেকা অধিকাৰৰ স্থান আছে। অধিকাৰৰ মৃত্যু নাইবা অধিকাৰৰ অনুপস্থিতিত ডেকা অধিকাৰেই সত্ৰৰ দায়িত্বভাৰ গ্ৰহণ কৰে।

**খ) হামদৈ চিপহা সত্ৰৰ পৰিচালনা সমিতিৰ কাৰ্যাৱলী ঃ**

প্ৰতিখন সত্ৰৰ দৰে এই সত্ৰখনৰ পৰিচালনাৰ দায়িত্বত থকা পদসমূহ হ'ল-

**১) মেধি ঃ**

শিষ্য সমাজখনৰ প্ৰধান বিষয়াজনেই হ'ল মেধি। মেধিক পৰ্যায়ক্ৰমে - ৰাজমেধি, বৰমেধি, পাখিমেধি

৩) উপেনচন্দ্ৰ মহন্ত; বিৱৰ্তনৰ পথ হামদৈ চিপহা সত্ৰ (এটি চমু পৰিচয়), ৬/৭ নং পৃষ্ঠা

আদিত ভাগ কৰা হয়। মেধিৰ প্ৰধান কাম হ'ল গুৰু কৰ, পঁচা আদি কৰ তোলা। এই সত্ৰখনত পূৰ্বতে মেধিসকলেই এনেধৰণৰ কাম কৰিছিল যদিও বৰ্তমান সময়ত সত্ৰৰ লগত জড়িত অন্যান্য ভকতবৃন্দই কৰে।

**২) দেউৰী ঃ**

মাহ-প্ৰসাদ যোগাৰ আৰু প্ৰসংগৰ শেষত সমজুৱাৰ মাজত প্ৰসাদ বিতৰণ কৰা লোকজনেই দেউৰী।

**৩) খনিকৰ ঃ**

ভাওনাৰ ছো-মুখা, সত্ৰৰ আসন, থাপনা, ঠগা, পুথি আদিত চিত্ৰিত কৰিবৰ বাবে খনিকৰ সকলক ৰখা হৈছিল।

**৪) পাঠক ঃ**

নাম প্ৰসংগৰ অন্তত পাঠকে ভাগৱত, ৰত্নাৱলী আদি পুথিৰ পদ সুৰ লগাই গায়।

**৫) গায়ন-বায়ন ঃ**

নিত্য-প্ৰসংগ, ভাওনা আদি উৎসৱত গায়ন-বায়নে খোল প্ৰসংগ কৰে, গীত-মাত গায়। এই সত্ৰৰ গায়ন-বায়নৰ দলটোৱে সমগ্ৰ অসমতেই বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

**৬) নামঘৰীয়া ঃ**

সত্ৰৰ নামঘৰ সাৰি-মচি চাফ-চিকুণ কৰি ৰখা ব্যক্তিজনেই হৈছে নামঘৰীয়া।

ওপৰত উল্লেখিত পদবোৰৰ উপৰিও সত্ৰ এখন পৰিচালনাৰ ক্ষেত্ৰত সহায় কৰা ভালেমান বিষয়ববীয়া অথবা পদ আছে। উল্লেখিত এই আটাইসকলেই মিলি চিপহা সত্ৰৰ সামাজিক দিশত যথেষ্ট অৰদান কৰিয়াই আনি 'হামদৈ চিপহা সত্ৰ'খনক পৰিচিত কৰিছে।

**৩.০২ চিপহা সত্ৰৰ সাংস্কৃতিক অৰদান ঃ**

'সত্ৰ' হিচাবে সুপৰিচিতি পাবলৈ যিদৰে সত্ৰখনৰ সামাজিক অৰদানৰ দিশটো গুৰুত্বপূৰ্ণ; ঠিক সেইদৰে সাংস্কৃতিক অৰদানৰ দিশটোও গুৰুত্বপূৰ্ণ। সত্ৰ এখনৰ সাংস্কৃতিক অৰদান বুলি ক'বলৈ গ'লে বিশেষকৈ সত্ৰখনক প্ৰতিনিধিত্ব কৰা আপুৰুগীয়া সম্পদসমূহ আৰু সত্ৰখনত প্ৰচলিত হৈ অহা উৎসৱসমূহৰ কথাকে আহি পৰে। চিপহা সত্ৰখনৰ সাংস্কৃতিক দিশত এই দুই বিষয়ে যথেষ্টখিনি অৰদান আগবঢ়ায়। যাৰ বাবে এই সত্ৰখনে নিজকে 'হামদৈ চিপহা সত্ৰ' বুলি অসমৰ আগত চিনাকি দিবলৈ সক্ষম হৈছে। তলত সেই সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে।

**ক) চিপহা সত্ৰৰ আপুৰুগীয়া সম্পদসমূহঃ**

অসমৰ প্ৰতিখন সত্ৰতেই প্ৰতিষ্ঠাকালৰে পৰা বহুতো সম্পদ পোৱা যায়। আন সত্ৰৰ দৰে এই সত্ৰখনতো এনেকুৱা বহুতো সম্পদ আছে। যিবোৰ সম্পদে সত্ৰখনক প্ৰতিনিধিত্ব কৰিছে। ইয়াৰে কিছু কি ঃ দান-বৰঙণিৰ জৰিয়তেও লাভ কৰিছে। 'হামদৈ চিপহা সত্ৰ'খনত দেখা পোৱা আপুৰুগীয়া সম্পদবোৰৰ ভিতৰত আছে - কাঁহ, বৰ কাঁহ, বৰ্জ ঘণ্টা, ভেও (ভেউ), শংক, জয়-বিজয়ৰ মূৰ্তি, সাঁচিপাতৰ পুথি, গছা,

ডবা, সাতখলপীয়া সিংহাসন, গোঁসাই থান, অন্যান্য মূৰ্তি (যেনে হনুমানৰ মূৰ্তি, গৰুড়, চাৰিহাতৰ বাসুদেৱৰ মূৰ্তি, বৰশৰাই, (বৰ্তমান ব্যৱহৃত) আৰু পুৰণি কালৰ পৰা সংৰক্ষিত হৈ থকা কিছুমান মূৰ্তি এই সত্ৰত আছে। আনহাতে ময়ূৰ আকৃতি আৰু কাছৰ আকৃতিৰে নিৰ্মিত দুগছ গছা সংৰক্ষিত হৈ আছে।

ওপৰত উল্লেখিত সম্পদবোৰৰ ভিতৰত কেইবিধমানৰ বিশেষত্ব আছে। যেনে -

**১) ডবা ঃ**

হামদৈ চিপহা সত্ৰখনত তাহানি যুগৰ পৰা ব্যৱহৃত ডবাটো আছিল চাম গছপ পৰা নিৰ্মাণ কৰা। ডবাটো যথেষ্ট ডাঙৰ আৰু ওজন আছে। ডবাটো নিৰ্মাণৰ সন্দৰ্ভত এটা কথিত কাহিনী আছে। তাৰে চমু আভাস এটা তলত দিয়া হ'ল-

'বৰ্তমান হামদৈ চিপহা সত্ৰৰ ডেকা সত্ৰাধিকাৰ শ্ৰী বংশীধৰ মহন্তৰ আজুককাক পদ্মকান্ত মহন্তদেৱক বুঢ়া ডাঙৰীয়াই সপোনত দেখাই যে হামদৈৰ মাজত খৰখৰীয়া নামৰ জানটোৰ পাৰত থকা বিশাল চাম গছজোপা কাটি আনি সত্ৰখনৰ ববে ডবা এটা সাজিব লাগে। তেওঁ ততাতৰীয়াকৈ সত্ৰৰ ভকতবৃন্দৰ সহযোগত তামোল-পাণ দি, গায়ন-বায়নৰ সহায়ত চাম গছজোপা কাটি আনি ডবাটো নিৰ্মাণ কৰে।'

(ডেকা সত্ৰাধিকাৰৰ পত্নী লাৱন্য মহন্ত)

**২) সিংহাসন ঃ**

সিংহাসন বা গুৰু আসন অসমীয়া সংস্কৃতিৰ হীৰক খণ্ড। কীৰ্তনঘৰৰ পূবদিশৰ মণিকূটত পশ্চিমমুৱাকৈ থাকে সিংহাসন। ইষ্টদেৱতাৰ সদায় স্থান সিংহাসনত। গুৰুজনাৰ ভাষাত 'হেন মন্দিৰে ৰত্নসিংহাসনো আসন্তে বহি প্ৰভু নাৰায়ণে।' সিংহাসনৰ একেবাৰে তলত চাৰিকোণত থাকে চাৰিটা সিংহ আৰু তাৰ তলত বশ্যতা স্বীকাৰ কৰি আঁঠু লৈ থকা চাৰিটা হাতী। সিংহই আগঠেং দুখনেৰে হাতীৰ মূৰত আৰু পিছঠেং দুখনেৰে পৃষ্ঠদেহত ধৰি থাকে। কোনো কোনো সিংহাসনৰ একেবাৰে তলত থাকে চাৰিটা কাছৰ প্ৰতিকৃতি। এই প্ৰতীকক 'গজ-সিংহ' কোৱা হয় আৰু পৌৰাণিক কামৰূপৰ দিনৰ মদন কামদেৱ, বামুণী পাহাৰ, দেও পাহাৰ, দবকা, মালিনী থান ইত্যাদি ধ্বেৰ ভগ্নাৱশেষ সমূহত দেখা পোৱা যায়। কালিকা পুৰাণতো ইয়াৰ উল্লেখ পোৱা যায়।[১]

সিংহাসনত সিংহ-হস্তীৰ অৱস্থান সম্পৰ্কে সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীদেৱে লিখিছে- 'শংকৰ-মাধৱ দুজনা গুৰুৱে পাৰমাৰ্থিক দৃষ্টিৰে নাম আৰু পাপৰ প্ৰতীক হিচাপে সিংহ আৰু হস্তীক ব্যৱহাৰ কৰিছে।' চতুষ্পোণী সিংহাসনত সাতোটা ঠাক থাকে। ঠাকবোৰ অনুক্ৰমে তলৰ পৰা ওপৰলৈ সৰু হয়। একেবাৰে ওপৰৰ ঠাকটোত কীৰ্তন-ভাগৱত, দশম-ঘোষা বা ৰত্নাৱলী যিকোনো এখন পুথি সংস্থাপন কৰা হয়। ওপৰৰ ঠাকটোৰ নাম হ'ল আমহী ঘৰ। কোনো কোনো সত্ৰই সংহতি অনুসৰি আমহী ঘৰত আৰাধ্য দেৱতাৰ মূৰ্তিও সংস্থাপন কৰা দেখা যায়। আমহী ঘৰটোৰে সৈতে সিংহাসনৰ ঠাকৰ সংখ্যা হয় আঁঠ। সাতখলপীয়া সিংহাসনপ চাৰিকোণত চাৰিটাকৈ সিংহ থাকিলে সাতখলপত সিংহৰ সংখ্যা হয় আঠৈশটা। সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখাত গ্ৰন্থকাৰৰ দৃষ্টিত 'এয়া হ'ল অষ্টবিংশতিতত্ব'ৰ চাক্ষুস ৰূপ। পঞ্চতমাত্ৰ (শব্দ, স্পৰ্শ, ৰূপ, ৰস আৰু গন্ধ), পঞ্চমহাভূত (ক্ষিতিশ, অপ, তেজ, মৰুৎ আৰু ব্যোম), পঞ্চকমৌন্দ্ৰিয় (বাক্ পাণি, পাদ, পায়ু আৰু উপস্থ), পঞ্চজ্ঞানেন্দ্ৰিয় (চক্ষু, কৰ্ণ, জিঙ্কা, ত্বক আৰু ঘ্ৰাণ) তিনিগুণ (সত্ব, ৰাজ আৰু তমঃ) প্ৰকৃতি, পুৰুষ, মহৎ অহংকাৰ আৰু মন - এই অষ্টাবিংশতি তত্ব সিংহাসনত বিৰাজমান। সিংহাসনত

থকা সাতটা ঠাক সপ্ত কৈুণ্ঠৰ প্ৰতীক। সপ্ত বৈকুণ্ঠৰ নিয়ন্ত্ৰক হিচাপে থাকে পৰম ব্ৰহ্ম। সিংহাসনৰ পশ্চিম দিশ মুকলি হৈ থাকে আৰু বাকী তিনিটা দিশ আবৃত হৈ থাকে। সিংহাসনৰ ওপৰত চন্দ্ৰতাপ তৰা থাকে। কোনো কোনো সিংহাসনত খনিকৰসকলৰ কুশল হস্তৰ পৰিচয় দেখা পোৱা যায়। হাতী, সিংহ আৰু কাছৰ উপৰিও কোনো কোনোৱে অলংকৰণৰ বাবে লতা আৰু ফুল আদিও কাটে আৰু হেঙুল-হাইতালেৰে বোলাট চালে চকুৰোৱা কৰি তোলে। দুই এখন সিংহাসনত চিত্ৰ কৰ্মৰো সংযোজন উল্লেখযোগ্য, বিষ্ণুৰ দশাৱতাৰ, চতুৰ্বিংশতি অৱতাৰ প্ৰভৃতি আদিয়েই তাৰ বিষয়বস্তু।[২]

সিংহাসনৰ খলপা কেইটাত দশৱতাৰ আৰু কৃষ্ণলীলাসমূহ হেঙুল হাইতালেৰে অঙ্কিত কৰা থাকে। সিংহাসনৰ খুড়াবোৰ বিচিত্ৰ ৰূপত খোদিত কৰা হয়। খুড়া চাৰিটাৰ একেবাৰে তলত কাছ, কাছৰ ওপৰত হাতী আৰু হাতীৰ ওপৰত সিংহ কটা থাকে। ওপৰৰ খলপা কেইটাত থকা খুঁটা কেইটাত হাতী আৰু সিংহ কটা থাকে। সিংহাসনৰ সাতোটা খলপা সপ্ত বৈকুণ্ঠ (যেনে- শ্বেতবিলাস, শান্তনুবিলাস, পুষ্পবিলাস, পঙ্কজবিলাস, কনক দন্ত, সনাতন আৰু গোলোক) লগত তুলনা কৰা হয়। আনহাতে খুঁটাত থকা কাছ ভক্তিৰ প্ৰতীক, হাতী পাপৰ আৰু সিংহ নামপ প্ৰতীক।[৩]

'হামদৈ চিপহা সত্ৰ'খনত থকা সিংহাসনখন সাতখলপীয়া হয়। সিংহাসনখন প্ৰস্তুত কৰিছিল চাৰুচন্দ্ৰ মহন্তদেৱে। এই সিংহাসনখনে সত্ৰখনক বিশেষভাৱে প্ৰতিনিধিত্ব কৰিছে। তিতাবৰ অঞ্চলত থকা সত্ৰসমূহৰ ভিতৰত এইখন সত্ৰতেই সাতখলপীয়া সিংহাসনখন আছে।

**৩) কাঁহ ঃ**

সত্ৰৰ নামঘৰত থকা আন এবিধ দেৱ বাদ্য হৈছে কাঁহ। এই কাঁহখন দান দিছিল বৰ্তমান তিতাবৰৰ বিধায়ক শ্ৰী ভাস্কৰজ্যোতি বৰুৱাৰ আজুককাক ত্ৰিলোচনো বড়ুৱাই (বৰুৱা) কাঁহখনত ১৮০৮ শতাব্দত নিৰ্মাণ কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত অৰ্থাৎ সত্ৰখন প্ৰতিষ্ঠা হোৱাৰ পিছতহে তেখেতে আগবঢ়ায়।

**৪)জয়-বিজয়ৰ মূৰ্তি ঃ**

পিতামহ চাৰুচন্দ্ৰ আতাপুৰুষ খনিকৰি বিদ্যাত বিশ্বকৰ্মা সদৃশ লোক আছিল। তেখেতেই সত্ৰখনৰ সিংহাসনৰ লগতে ঠগা, গছা, গৰুড় উপৰিও জয়-বিজয়ৰ মূৰ্তি নিৰ্মাণ কৰিছিল। তেওঁ সজা জয়-বিজয়ৰ মূৰ্তি অসমৰ বহুতো নামঘৰত বিৰাজ কৰি আছে। চাৰুচন্দ্ৰ মহন্তদেৱে কাঠৰ জয়-বিজয়ৰ মূৰ্তি কাটি হেঙ্গুল হাঁইতালেৰে লেখি মণিকূটৰ সিংহদ্বাৰত প্ৰতিষ্ঠা কৰিছিল। এই শুনি আউনিআটী সত্ৰৰ অধিকাৰ পুৰুষে মানুহ পঠিয়াই জয়-বিজয়ৰ মূৰ্তি নিজ সত্ৰলৈ খোজাই নিলে। আউনিআটী সত্ৰৰ পৰা দ'ল লগা কাঠৰ বৰ শৰাই, ৰূপৰ টেমা-বটা আৰু পাতৰ চুৰীয়া-গামোচা, বটা আমাৰ পৰিয়ালত আজিও আছে। ইফালে চিপহা সত্ৰৰ আৰাধ্য বাসুদেৱ মহাপ্ৰভুৱে জয়-বিজয়ৰ মূৰ্তি আঁতৰ কৰোৱাত কোপিত হৈ চাৰুচন্দ্ৰ মহন্তদেৱক স্বপ্ন কৰালে। সাত দিনৰ ভিতৰত নতুন জয়-বিজয়ৰ মূৰ্তি কাটি সিংহদ্বাৰত প্ৰতিষ্ঠা কৰিব লাগে। স্বপ্নৰ কথা শুনি সকলো ভীতি-বিহ্বল হৈ পৰিল। সকলোৱে মিলি কাঠ আনি দিলে। দিনে ৰাতিয়ে কাম কৰি চাৰুচন্দ্ৰ মহন্তদেৱে পূৰ্বৰত জয়-বিজয়ৰ দুটি মূৰ্তি সাতদিনৰ ভিতৰতে নিৰ্মাণ কৰি ৰং গৰ্জন সানি আগৰ ঠাইতে প্ৰতিষ্ঠা কৰি এই সত্ৰৰ এক গৌৰোৱজ্জ্বল ঐতিহ্যমণ্ডিত বুৰঞ্জীৰ সূচনা কৰি গ'ল। এই দুয়োভাগ জয়-বিজয়ৰ মূৰ্তি হাতত গদা ধৰি সত্ৰৰ নামঘৰৰ মণিকূটৰ দুৱাৰত আজিও বাসুদেৱৰ দৰবাৰৰ সদা সৰ্তক

প্ৰহৰীৰূপে ঠিয় হৈ আছে। এইবোৰ কিংবদন্তি বা লোককথা নহয়, সত্য ঘটনাই হয়।[৪]

**৫) সাঁচিপাতৰ পুথি ঃ**

এই সত্ৰত চাৰিখন সাঁচিপাতৰ পুথি পোৱা যায়। সেই চাৰিখন হৈছে - দশম, কীৰ্তন, ঘোষা, ৰত্নাৱলী। ইয়াৰে দশম আৰু কীৰ্তন পুথি শংকৰদেৱৰ সৃষ্টি; আনহাতে ঘোষা আৰু ৰত্নাৱলী মাধৱদেৱৰ সৃষ্টি। চাৰিখন পুথি ব্ৰজাৱলী ভাষাত ৰচিত। পুথিকেইখন সত্ৰখনৰ নামঘৰৰ মণিকূটৰ ভিতৰত সংৰক্ষণ কৰি ৰখা হৈছে।

**৬)গোঁসাই থান ঃ**

নামঘৰৰ মণিকূটত সাতখলপীয়া সিংহাসন ভাগৰ সোঁফালে এইভাগ থান স্থাপিত কৰা হৈছে। ইয়াতেই তেওঁলোকে দৈনিক পূজা-অৰ্চনা কৰে।

**খ) সত্ৰৰ নৈমিত্তিক কৰ্ম তথা সত্ৰৰ উৎসৱ-অনুষ্ঠান ঃ**

প্ৰতিখন সত্ৰতেই নৈমিত্তিক কৰ্ম তথা সত্ৰৰ উৎসৱ-অনুষ্ঠান পালন কৰা হয়। 'হামদৈ চিপহা সত্ৰ'খনত বিশেষভাৱে অনুষ্ঠিত হোৱা উৎসৱ-অনুষ্ঠানবোৰ হ'ল- ফাকু উৎসৱ, বাৰ্ষিক নাম আৰু ভাদমহীয়া নাম। এই অনুষ্ঠানকেইটাৰ সম্পৰ্কে তলত বহলাই উল্লেখ কৰা হ'ল-

**১) ফাকু উৎসৱ ঃ**

হামদৈ চিপহা সত্ৰত পূৰ্বৰ পৰা পৰম্পৰা ৰক্ষা কৰি সকলো উৎসৱেই পালন কৰা হয় যদিও ফাকু উৎসৱৰ প্ৰসংগ সুকীয়া। সত্ৰৰ ভকত-বৈষ্ণৱ তথা পুৰুষ-মহিলা উভয়ে মিলি সমবেত হৈ এখন গৰুড়াসনত এভাগি মুৰুলীধাৰী যুগল মূৰ্তি স্থাপন কৰি অগা-পিছাকৈ দুজনে কান্ধত লৈ পৰিভ্ৰমণ কৰা হয়। পাছে পাছে ল'ৰা-বুঢ়া সমন্বিতে খোল-তাল আৰু হাত চাপৰি বজায় নাম-কীৰ্তন কৰি ওচৰৰ গাঁৱৰ মাজেৰে মূৰ্তিভাগ পৰিভ্ৰমণ কৰি শেষত সত্ৰলৈ লৈ আহি নামঘৰৰ তুপত মূৰ্তিভাগ সাতবাৰ প্ৰদক্ষিণ কৰিহে নামঘৰৰ ভিতৰলৈ নি পুনৰ একেঠাইতে স্থাপন কৰা হয় আৰু শেষত সকলোৱে সেৱা জনাই প্ৰাৰ্থনা কৰি এবছৰলৈ ফাকু উৎসৱৰ সমাপ্তি হয়।

**২) বাৰ্ষিক নাম ঃ**

ফাকুৰ দৰে এই সত্ৰৰ বাৰ্ষিক নামো বিশেষ অনুষ্ঠান হয়। এই সত্ৰত ব'বাগৰ প্ৰথমভাগতে বাৰ্ষিক পাল নাম পতা হয়। এই পাল নামভাগিয়ো সত্ৰ সকলো ভকত-বৈষ্ণৱ মিলি বৰ উৎসাহেৰে পাতে। এই অনুষ্ঠানভাগ সুচাৰুৰূপে পালন কৰিবলৈ তথা ধৰ্মভাগি সমাধা কৰিবৰ কাৰণে অন্য সত্ৰৰ পৰা নামাচাৰ্য, পাঠকী আৰু দোহাবৰ কাৰণে নিমন্ত্ৰণ কৰি অনা হয়; সেইদৰে ভকত-বৈষ্ণৱ সকলক ওচৰৰ গাঁৱৰ পৰাও নিমন্ত্ৰণ কৰা হয়। দিনৰ নাম শেষ কৰি প্ৰতিবছৰে ৰাতিলৈ এভাগি ভাওনা পতা হয়। ভাওনাৰ অন্ততহে বাৰ্ষিক নামৰ কাৰ্যসূচীৰ সমাপ্তি কৰা হয়।

---

১) সিংহাসন সম্পৰ্কীয় ফেচবুক পেজ 'HUHURI OFFICIAL' ত (২০২১ বৰ্ষৰ ২৫ অক্টোবৰ)ত প্ৰকাশ পাইছিল।

২) ফেবুক পেজ 'HUHURI OFFICIAL' ত (২০২১ বৰ্ষৰ ২৫ অক্টোবৰত প্ৰকাশ পাইছিল।) উপলব্ধ।

৩) ফেবুক পেজ 'HUHURI OFFICIAL' ত (২০২১ বৰ্ষৰ ২৫ অক্টোবৰত প্ৰকাশ পাইছিল।) উপলব্ধ।

৪) জয়-বিজয় মূৰ্তি সম্পৰ্কীয় কথাখিনি উপেন্দ্ৰচন্দ্ৰ মহন্তৰ 'বিৱৰ্তনৰ পথত হামদৈ চিপহা সত্ৰ (এটি চমু পৰিচয়)'ৰ ৫ নং পৃষ্ঠাত উপলব্ধ।

**৩) ভাদমহীয়া নাম ঃ**

প্ৰতিখন সত্ৰৰ ক্ষেত্ৰত ভাদ মাহত পালন কৰা অনুষ্ঠানবোৰ বিশেষভাৱে উল্লেখনীয়। 'হামদৈ চিপহা সত্ৰ' ত পূৰ্বৰ দিনত গোটেই ভাদ মাহটো 'পাল নাম' কৰা হয়। এই পাল নামত পাল হিচাব ৰাখি ৰাতিয়ে দিনে পাল নাম দাকি থাকে। ৰাতিয়ো সত্ৰৰ নামঘৰতে থাকি মাজে মাজে নাম দাকি থাকে। নামঘৰ উদম হ'বলৈ নিদিয়ে। ইয়াৰ বাবে নিৰ্দ্ধাৰিত এজন ব্যক্তি থাকে। কিয়নো এজনে গালেহে ইজনে গাবলৈ আহিব পাৰে। অৱশ্যে বৰ্তমান সময়ত আগৰ দৰে পালনাম কৰিবলৈ অসমৰ্থক। সময় সাপেক্ষে এতিয়াও তেওঁলোকে গোটেই মাহটো নাম চলায় আৰু শেষৰ দিনা 'সামৰণি নাম' পতা হয়।

এই পালনামৰ লগত সংগতি ৰাখি তেওঁলোকে থিয় নাম বা উঠা নাম পৰিৱেশন কৰে। বিশেষকৈ এই নাম ৰাতিহে পৰিৱেশন কৰা হয় যদিও ভাদমহীয়া নামৰ শেষৰ দিনা দিনতহে পৰিৱেশন কৰে। বাকী সময়ত এই নাম গোৱা নহয়; কেৱল ভাদমাহতহে গোৱা হয়।

ইয়াৰ উপৰি ভাদ মাহত পূৰ্বৰ পৰাই গুৰুদুজনাৰ তিথি, জন্মাষ্টমী আদি উৎসৱ ও পালন কৰি অহা হৈছে। এনেবোৰ নৈমিত্তিক কৰ্ম বা সত্ৰৰ উৎসৱ-অনুষ্ঠান আদিয়ে এই সত্ৰৰ সাংস্কৃতিক দিশত যথেষ্ট অৱদান আগবঢ়াইছে।

৩.০৩ **চিপহা সত্ৰৰ ধৰ্মীয় অৱদান ঃ**

যিহেতু অসমৰ প্ৰতিখন সত্ৰতেই ধৰ্ম বা ধৰ্মীয় অনুষ্ঠানক কেন্দ্ৰ কৰিয়ে সত্ৰীয়া-সংস্কৃতি গঢ় লৈ উঠিছে। গতিকে সত্ৰ এখনৰ সত্ৰীয়া-সংস্কৃতি দিশত খোল-বাদন, গায়ন-বায়ন, নাম-প্ৰসংগ, আইনাম, বিভিন্নধৰণৰ নৃত্য, বৰগীত, ভাওনা ইত্যাদিবোৰ সোমায়। তলত 'হামদৈ চিপহা সত্ৰ'ৰ ধৰ্মীয় দিশত আগবঢ়োৱা সমলবোৰ সম্পৰ্কে উল্লেখ কৰা হ'লঃ

**ক) 'হামদৈ চিপহা সত্ৰ'ৰ নাম-প্ৰসংগঃ**

সত্ৰৰ দৈনিক কাৰ্যাৱলীত পৰে প্ৰাৰ্থনা। সমূহীয়াভাৱে কৰা প্ৰাৰ্থনাক 'প্ৰসংগ নাম' বা 'নাম প্ৰসংগ' হিচাপে ধৰা হয়। সত্ৰ সমূহত ভকত-বৈষ্ণৱৰ সমিলমিলেৰে কৰা এই প্ৰাৰ্থনাক 'চৈধ্য প্ৰসংগ' কোৱা হয়। পূৰ্বতে 'হামদৈ চিপহা সত্ৰ'ত মহাপুৰুষ মাধৱদেৱৰ চৈধ্য-প্ৰসংগ সুচাৰুৰূপে পালন কৰা হৈছিল যদিও পাছলৈ চাৰি-প্ৰসংগহে ৰ'লগৈ। সেই চাৰি প্ৰসংগৰ ভিতৰত - পুৱাৰ প্ৰসংগ; দুপৰীয়া প্ৰসংগ; বিয়লি বা আবেলি প্ৰসংগ আৰু গধূলি প্ৰসংগ। প্ৰত্যেক প্ৰসংগতেই গীত, ঘোষা, কীৰ্তন, নিত্য প্ৰাৰ্থনা বা উপদেশবাণী গোৱা হয়।

**খ) 'হামদৈ চিপহা সত্ৰ'ত অনুষ্ঠিত হোৱা ভাওনা ঃ**

ভাওনা হৈছে মহাপুৰুষ শংকৰদেৱে অসমলৈ আগবঢ়োৱা এক অন্যতম অৱদান। শংকৰদেৱৰ কলা সংস্কৃতিক বৰ্তাই ৰাখি অসমৰ প্ৰতিখন সত্ৰতেই ভাওনা পতা হয়। 'হামদৈ চিপহা সত্ৰ'ত অংকীয়া ভাওনাৰ পৰা আধুনিক অসমীয়া ভাষা ৰচিত বা সৃষ্টি হোৱা প্ৰতিখন ভাওনাই পৰিৱেশন কৰা হয়। ইয়াত ভাদমাহত অনুষ্ঠিত হোৱা ভাওনা কেইখনত বিশেষভাৱে সমাদৰ সৃষ্টি কৰিছে। সেইকেইখন ভাওনা হৈছে - ভোজনবেহা, নন্দোৎসৱ, পাচতী বা বোকা ভাওনা।

**গ) সত্ৰখনত প্ৰচলিত অন্যান্য দিশসমূহ ঃ**

সত্ৰৰ ভূমিতেই বিভিন্ন সত্ৰীয়া নৃত্য, গীত আদিৰ সমাৰেশ ঘটিছে। মহাপুৰুষজনাৰ অংকীয়া ভাওনাক কেন্দ্ৰ কৰিয়েই সত্ৰীয়া সংগীতৰ সৃষ্টি হয়। চিপহা সত্ৰখনত প্ৰচলিত সত্ৰীয়া সংগীতৰ ভিতৰত পৰে বৰগীত, নাটসমূহত গোৱা গীতসমূহ তথা আই নাম, দিহা নাম। আনহাতে, সত্ৰীয়া নৃত্যৰ ভিতৰত পৰে-সূত্ৰধাৰৰ নৃত্য, দশাৱতাৰ নৃত্য, চালি নৃত্য, কৃষ্ণ নৃত্য, গোপী নৃত্য ইত্যাদি।

আনহাতে, সকলো ধৰ্মীয় সমাজতেই কিছুমান আচাৰ ৰীতি-নীতি পালন কৰা হয়। ঠিক সেইদৰে সত্ৰৰ আচাৰ ৰীতি-নীতিৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ ক্ষেত্ৰত কিছু পাৰ্থক্য আছে 'হামদৈ চিপহা সত্ৰ'তো এনেধৰণৰ কিছুমান ৰীতি-নীতি প্ৰচলিত আছে। পুৰুষ-মহিলা উভয়ে গুৰু সেৱা কৰিলেও পুৰুষৰ দৰে খোল, দবা নেগেৰা আদি বাদ্য-যন্ত্ৰ মহিলাসকলে ব্যৱহাৰ নকৰেষ পুৰুষসকলে শৰণ লোৱাৰ পিছত মণিকূটত সোমায় যদিও মহিলাসকলে সোমোৱাত সত্ৰত বিশেষ বাধা আছে। পুৰুষসকলে ভাত খোৱাৰ পিছতে মহিলাসকলে ভাত খাব লাগে। দৰ্মীয় যিকোনো অনুষ্ঠানতেই পুৰুষ-মহিলা উভয়ে ধৰ্মীয় সাজ-পাৰ পৰিধান কৰাতো বাঞ্ছনীয়। যেনে- পুৰুষসকলে ধূতি-পাঞ্জাৰী, গামোচা, চেলেং পৰিধান কৰিব লাগে আৰু মহিলাসকলৰ ক্ষেত্ৰত চাদৰ-মেখেলা, তল ৰিহা, গামোচা, চেলেং আৰু ছোৱালীসকলে উৰণি লৈ থকা বাধ্যতামূলক।

## সিদ্ধান্ত

১) প্ৰথম অধ্যায়টোত 'অসমৰ সত্ৰ' সম্পৰ্কে আলোচনা কৰিবলৈ সত্ৰনো কি, সত্ৰই অসমক কেনেদৰে প্ৰতিনিধিত্ব কৰিছে সেই সম্পৰ্কে সম্যক ধাৰণা এটা লোৱা গ'ল।

২) সত্ৰসমূহে সমগ্ৰ ভাৰতবৰ্ষ তথা অসমত হোৱা বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱৰ ফলতে প্ৰতিষ্ঠা লাভ কৰে।

৩) অসমত সত্ৰ প্ৰতিষ্ঠা হৈছিল খ্ৰীষ্টীয় পঞ্চদশ শতিকাৰ শেষভাগ আৰু যোড়শ শতিকাৰ আদিভাগত। সত্ৰসমূহৰ প্ৰতিষ্ঠা হোৱাৰ আঁৰত থকা মূল ব্যক্তিজন হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ।

৪) 'সত্ৰ' শব্দটোৰ প্ৰয়োগ গুৰুদুজনে জনা নাছিল। এইক্ষেত্ৰত ভিন্নজন ব্যক্তিৰ ভিন্নমত পোৱা যায়।

৫) সত্ৰসমূহৰ প্ৰতিষ্ঠাৰ মূল্য লক্ষ্য আৰু উদ্দেশ্যক আগত ৰাখি চাৰিটা সংহতি বা সংঘতিত বিভক্ত কৰা হয়। সেই চাৰিটা হ'ল- নিকাসংহতি, ব্ৰহ্মসংহতি, পুৰুষ সংহতি আৰু কাল সংহতি।

৬) দ্বিতীয় অধ্যয়ন হামদৈ চিপহা সত্ৰৰ পৰিচয় সম্পৰ্কে আলোচনা কৰা হয়। এই সত্ৰখন তিতাবৰৰ পশ্চিম দিশত অৱস্থিত। এই সত্ৰখন এখন আজ্ঞাপৰ সত্ৰহে হয়। গুৰুজনাৰ নাতি পুৰুযোত্তম ঠাকুৰৰ আজ্ঞাপৰত শ্ৰীকৃষ্ণ চৰণদেৱে প্ৰতিষ্ঠা কৰে।

৭) চিপহা সত্ৰখনক পূৰ্বতে বহুজনে বহুতো নামেৰে নামকৰণ কৰিছিল। যেনে শ্ৰী চন্দ্ৰকান্ত মহন্তই 'চুপহা'; কথিত কথা অনুসৰি আঁহত গছৰ শিপাৰে এই সত্ৰৰ মূল সত্ৰখন ব্ৰহ্মপুত্ৰ উত্তৰ পাৰত থকা গাংমৌতলৈ অহা-যোৱা কৰোঁতে মানুহৰ মুখ বাগৰি 'শিপহা সত্ৰ'ৰ পৰা 'চিপহা' হয়। এই সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ চাৰুচন্দ্ৰ মহন্তদেৱৰ তীক্ষ্ণ মানসিকতা দেখি এই সত্ৰখনৰ নাম 'চাৰু চিপহা' নামেৰেও জনা গৈছিল যদিও আহোমৰ ৰাজধানী যোৰহাটলৈ অনাৰ পিছৰ পৰা 'হামদৈ চিপহা সত্ৰ' নামেৰে নামকৰণ কৰা হয়।

৮) এই সত্ৰখনত পূৰ্বৰে পৰা বৰ্তমানলৈকে প্ৰতিবছৰে বাৰ্ষিক নাম-প্ৰসংগ আৰু ফাকু উৎসৱ বহু ডাঙৰকৈ আয়োজন কৰা হয়।

৯) এই সত্ৰখনক সত্ৰীয়া সংস্কৃতিৰ দিশত গায়ন-বায়নৰ দলটোৱে তিতাবৰ তথা সমগ্ৰ উজনী অসমতেই খলকনি তুলিবলৈ সক্ষম হৈছে। এই গায়ন-বায়ন দলটোৰ বাজনাখন তিতাবৰৰ অন্যান্য সত্ৰ তথা গায়ন-বায়নৰ দলেও অনুসৰণ কৰিছে।

১০) এই সত্ৰখন সামাজিক, সাংস্কৃতিক আৰু ধাৰ্মিক তিনিওটা দিশতে বিশেষ সমাদৰ পাবলৈ সক্ষম হৈছে।

## উপসংহাৰ/সামৰণি

'সত্ৰ' হৈছে সাংস্কৃতিক দিশত প্ৰতিনিধিত্ব কৰা অন্যতম সমল। সত্ৰ বুলি ক'লে প্ৰথম মনলৈ আহে নগাঁৱৰ 'বটদ্ৰৱা সত্ৰ' বৰপেটা আৰু মাজুলীৰ সত্ৰসমূহ। উল্লেখিত জিলাকেইখনতেই মূল সত্ৰকেইখন আছে যদিও মূল সত্ৰৰ পৰাই উৎপত্তি হোৱা আজ্ঞাপৰ আৰু শাখা সত্ৰসমূহো অসমত আছে। যোৰহাট চহৰৰ পৰা ২০ কিঃমিঃ আঁতৰত অৱস্থিত তিতাবৰৰ পশ্চিম দিশত অৱস্থিত হামদৈ চিপহা সত্ৰখনো এখন আজ্ঞাপৰ সত্ৰ হয়। হয়তো অন্যান্য সত্ৰৰ তুলনাত মাটিকালিনীভাৱে সত্ৰখনৰ অৱস্থিতি অংশটো সৰু যে লোকসকলৰ দৃষ্টিত দেখা দিলেও এই সত্ৰখনেও তিতাবৰক অসম তথা ভাৰতবৰ্ষৰ লগত বিশ্ববাসীৰ আগত প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হৈছে। কিয়নো এই সত্ৰৰে প্ৰয়াত সত্ৰাধিকাৰ চন্দ্ৰকান্ত মহন্তদেৱে 'কীৰ্তন' আৰু 'ভক্তি ৰত্নাৱলী'খন ইংৰাজী ভাষালৈ অনুবাদ কৰি সত্ৰখনৰ হকে গৌৰৱোজ্জ্বল দিশ সূচনা কৰি থৈ গৈছে। বিশেষকৈ এই সত্ৰৰ সত্ৰীয়া সংস্কৃতিৰ আটাইকেইটা দিশতে বহুকেইজন ব্যক্তি যেনে- গোবিন মহন্ত দেৱে গুৱাহাটীত সত্ৰীয়া বিদ্যালয় এখন স্থাপন কৰি প্ৰশিক্ষণ দিছে। তেওঁ অসমৰ বাহিৰতো সত্ৰীয়া সংস্কৃতিৰ দিশসমূহ প্ৰদৰ্শন কৰিছে। ঠিক সেইদৰে মঞ্জিত মহন্তদেৱেও অসমৰ বিভিন্ন প্ৰান্তত সাংস্কৃতিক দিশৰ প্ৰশিক্ষণ শিবিৰ খুলিছে। বৰ্তমান সত্ৰতে বসবাস কৰি থকা প্ৰদীপ মহন্ত, ৰিপু মহন্ত আদিকে ধৰি কেইবাজনো ব্যক্তিয়ে তিতাবৰৰ ওচৰে-পাজৰে খোল-বাদন, সত্ৰীয়া-নৃত্য, বৰগীত, ভাওনা আদি দিশসমূহৰ প্ৰশিক্ষণ দি আহিছে। এক অৰ্থত ক'বলৈ গ'লে সত্ৰ সৰু-ডাঙৰ, মূল তল আজ্ঞাপৰ বুলি বিভেদ সৃষ্টি কৰাতকৈ এই আলোচনা পত্ৰখন প্ৰস্তুত কৰিবলৈ গৈ বুজি উঠিলোঁ যে অসমৰ প্ৰতিখন সত্ৰয়েই সমান।

উক্ত সত্ৰখনৰ সম্পৰ্কে ক্ষেত্ৰ অধ্যয়ন কৰি যুগুত কৰা তথ্যৰ ভিত্তিতেই প্ৰায় সংখ্যক উল্লেখ কৰা হৈছে। ইয়াৰ উপৰিও দুই, এখন গ্ৰন্থও সম্যক ধাৰণাটোৰ বাবে ব্যৱহাৰ কৰা হৈছিল। গতিকে; সত্ৰৰ বিষয়ে ওপৰত বিভাজন কৰি দেখুওৱা অধ্যায় তিনিটাতেই বিশদভাৱে উল্লেখ কৰা হৈছে।

# পৰিশিষ্ট

# পৰিশিষ্ট

## ক) পৰিচালনা সমিতিৰ সম্পাদকৰ প্ৰতিবেদন

ঁ সুবোধ চন্দ্ৰ মহন্তৰ একান্ত প্ৰচেষ্টাত ১৯৭০ চনত গঠন হোৱা শ্ৰীশ্ৰী চিপহা সত্ৰৰ পৰিচালনা সমিতিখনৰ তেতিয়াৰে পৰা সম্পাদক হিচাপে মই কাৰ্যভাৰ গ্ৰহণ কৰি আছোঁ। ২০০৯ চনলৈকে শ্ৰী শ্ৰী হামদৈ চিপহা সত্ৰৰ নামঘৰভাগৰ পৰিৱেশ আৰু ঘৰ-দুৱাৰ বৰ জৰাজীৰ্ণ আছিল। মই সম্পাদকৰ দায়িত্ব লৈ তেতিয়াৰ সত্ৰাধিকাৰ স্বৰ্গীয় উপেন চন্দ্ৰ মহন্তদেৱৰ পৰামৰ্শ অনুযায়ী আৰু ৰাইজৰ সহযোগত চৰকাৰৰ লগত যোগাযোগ কৰি সত্ৰলৈ চৰকাৰী অনুদান অনা হ'ল। সেইসময়ৰ প্ৰয়াত মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈৰ দিনত স্বৰ্গীয় সোনাধৰ ৰাজখোৱাৰ সহযোগত এটা অনুদান অনা হয়। লগতে ৰাইজৰ বৰঙণি তুলি নামঘৰভাগৰ পুৰণা ঘৰটো ভাঙি-ছিঙি নতুনকৈ নিৰ্মাণ কৰিবলৈ লোৱা হয়। তাৰপিছত তেতিয়াৰ এম,পি, স্বৰ্গীয় বিজয়কৃষ্ণ সন্দিকৈক সাক্ষ্যাৎ কৰি এক লাখ টকাৰ অনুদান অনা হয়। সেই টকাৰে নামঘৰৰ পুৰণা টিংপাতবোৰ উঠাই নতুন নিটংপাত লগোৱা হয়। চৰকাৰৰ সহযোগত আৰু ৰাইজৰ সহযোগত নামঘৰভাগ নতুনকৈ নিৰ্মাণ কৰা হয়। আকৌ ২০১৬ চনত ৰাজ্যসভাৰ এম,পি, কামাখ্যা প্ৰসাদ তাছাৰ পৰা এক বুজন পৰিমাণৰ অনুদান আনি নামঘৰৰ ভেটি আৰু বাৰাণ্ডাৰ ভেটিত টাইলচ্ লগোৱা হয়। বৰ্তমান 'অসম দৰ্শন'ৰ ফালৰ পৰা এটা অনুদান পোৱাত ৰঞ্জু মহন্তৰ দায়িত্বত নামঘৰৰ চাৰিওবেৰত গ্ৰীল লগোৱা হয়। বৰ্তমানৰ চৰকাৰ তথা ৰাইজৰ প্ৰচেষ্টাতেই নামঘৰৰ পৰিৱেশ বহুত উন্নত হৈ উঠিছে।

মোৰ দহ বছৰৰ কাৰ্যকালত এই সত্ৰখনিৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট কাম কৰি যোৱা হ'ল। এই নামঘৰতেই সত্ৰৰ পৰম্পৰা অনুযায়ী দৈনিক নাম-প্ৰসংগ, বছৰেকীয়া নাম, ভাওনা, ফাকুৱা আদি তিথি মহোৎসৱ ভালধৰণে পালন কৰি থকা হৈছে। এই সত্ৰৰ ৰাইজৰ সহায়-সহযোগত নামঘৰৰ নাম-প্ৰসংগ আদি সুচাৰুৰূপে চলি আছে।

স্থানীয় ব্যক্তি হিচাপে যথেষ্ট ত্যাগ কৰি এই সত্ৰখনিৰ উন্নয়নৰ কাৰণে বহুত চেষ্টা কৰা হৈছে। চৰকাৰ আৰু ৰাইজৰ সহযোগ লৈ মই স্থানীয় ব্যক্তি হিচাপে সত্ৰখনিৰ উন্নতিৰ কল্পে যথেষ্ট বৰঙণি আগবঢ়াই আহিছোঁ। বৰ্তমান সত্ৰখনৰ পৰিৱেশ-পৰিস্থিতি আগতকৈ বহু পৰিমাণে উন্নত হৈ উঠিছে। আগন্তুক দিনত আশবাদী যে উঠি অহা চামে সত্ৰীয়া-সংস্কৃতিৰ প্ৰতি আগৰণুৱা হৈ আমাৰ এই সত্ৰখনৰ হকে ভাল ভাল কাম কৰি যায়। ময়ো ভৱিষ্যত সময়তো ৰাইজৰ সহযোগ লৈ সত্ৰখনিৰ উন্নতিৰ কাৰণে কাম কৰি যাম বুলি প্ৰতিশ্ৰুতিৰবদ্ধ হ'লো।।

'হামদৈ চিপহা সত্ৰ'ৰ পৰিচালনা সমিতিৰ হৈ

সভাপতি ঃ শ্ৰী নৰেন চন্দ্ৰ মহন্ত — সম্পাদক ঃ শ্ৰী তোলন দত্ত

সদস্য ঃ

শ্ৰী প্ৰতীম মহন্ত (ৰাজু), শ্ৰী পৰাগ মহন্ত, শ্ৰী জগন্নাথ মহন্ত,
শ্ৰী হৰি মহন্ত, শ্ৰী পৰাণজ্যোতি মহন্ত ইত্যাদি।

ধন্যবাদেৰে

১৮-০৫-২০২২

শ্ৰী তোলন দত্ত (প্ৰাক্তন শিক্ষক)

## খ) উন্নয়ন সমিতিৰ সম্পাদকৰ প্ৰতিবেদন

‘বহুভ্য ঃ দীয়তে সত্ৰ তৃপ্যন্তি প্ৰপিন ঃ বহু।।
কৰ্তাৰা বহৱো যত্ৰ তৎ সত্ৰমঙি ধীয়তে।।’

আমাৰ ‘হামদৈ চিপহা সত্ৰ’খনৰ উন্নতিৰ হকে কাম কৰিবলৈ যোৱা ২০২০ চনত ‘উন্নয়ন সমিতি’ বুলি এখন সমিতি গঠন কৰা হয়। এই সমিতিখনৰ সভাপতি হিচাবে মোৰ পিতৃ শ্ৰী বংশধৰ মহন্তক আৰু মোক (অৰ্থাৎ পৰাণজ্যোতি মহন্ত) সম্পাদক হিচাপে নিয়োগ কৰা হয়। সমিতিখনৰ মূল উদ্দেশ্যই হৈছে উন্নতিৰ হকে কাম কৰি সত্ৰখনৰ অৰ্থনৈতিক, সামাজিক আটাইকেইটা দিশতেই উন্নয়ন কৰা। মই সম্পাদকৰ গুৰু দায়িত্বভাৰ লৈয়েই প্ৰথমে সত্ৰখনৰ বাবে ‘অসম চৰকাৰৰ অভিলাসী আঁচনি ‘অসম দৰ্শন’ৰ পৰা লাভ কৰা এককালীন সাহাৰ্যৰে নামঘৰৰ চাৰিওদিশতে গ্ৰীল লগোৱা হয় আৰু দ্বিতীয়তে, ‘ঠেঙ্গাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ’ৰ পৰা ২,৫০,০০০.০০ (দুই লাখ পঞ্চাছ হেজাৰ) টকাৰে বৰ্তমান সময়ত সত্ৰখনৰ বাবে এটা নাটঘৰ বা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰি থকা হৈছে। অৱশ্যে এতিয়াও নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱালৈ বহুখিনি কাম বাকী আছে। বৰ্তমানলৈকে সম্পাদকৰ ভাৰ লৈ এই দুটা কামেই কৰা হৈছে যদিও আগন্তুক দিনত যথেষ্ট কষ্ট, ত্যাগ কৰি হ’লেও সত্ৰখনৰ উন্নতিৰ হকে কাম কৰি যাম বুলি প্ৰতিশ্ৰুতিৱদ্ধ হ’লোঁ।

**উন্নয়ন সমিতিৰ সদস্যসকলঃ**

শ্ৰী হৰি মহন্ত
শ্ৰী উত্তম মহন্ত (ৰুণ্টু)
শ্ৰী প্ৰদীপ মহন্ত (ইত্যাদি)

ধন্যবাদেৰে
শ্ৰী পৰাণজ্যোতি মহন্ত
(বেবেজীয়া গাঁও)
২৭-০৬-২০২২

## গ) স্থানীয় ব্যক্তিৰ দুআষাৰ ঃ

জয় জয়তে প্ৰথমে নমস্কাৰ জনাইছোঁ আপোনালোক সবলৈকে। শ্ৰী শ্ৰী চিপহা সত্ৰখনৰ লগত মই আভ্যন্তৰীণভাৱে জড়িত ব্যক্তি নহয় যদিও সত্ৰখনৰ কাষতেই থাকি নিজকে সৰুৰে পৰা সত্ৰীয়া সংস্কৃতিৰ লগত জড়িত কৰি খুবেই আনন্দিত হৈছোঁ। কিয়নো সত্ৰ এখনৰ সত্ৰীয়া সংস্কৃতিৰ দিশ বুলি ক'লে যিকেইটা উপাদান পৰিব তাৰ ভিতৰত কেৱল মই ভাওনাৰেই সকলোবোৰ কথা সম্পূৰ্ণকৈ এতিয়াও আয়ত্ব কৰিব পৰা হোৱা নাই যদিও ভাওনাৰ প্ৰতিয়ে মোৰ সৰুৰে পৰা ৰাপ আছে বুলি ক'লেও ভুল নহ'ব। এয়া সম্ভৱ হৈছে কেৱল এই সত্ৰখনৰ ভাওনা পৰিচালনাৰ ক্ষেত্ৰত জড়িত ব্যক্তিসকলৰ বাবেহে। তেওঁলোকে যদি মোৰ দৰে সাধাৰণ যুৱক এজনক সত্ৰৰ নামঘৰভাগত অভিনয় প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ সুযোগ নিদিলে হয় তেনেহ'লে হয়তো মই মোৰ প্ৰতিভাক প্ৰদৰ্শন কৰিবলৈ আন ঠাইতো সুযোগ নেপালোঁ হয়। এইখিনিতেই সত্ৰখনৰ বিষয়ববীয়াসকললৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ দেহাই টনালৈকে আগন্তুক দিনতো মোক মোৰ অভিনয় প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ সুবিধাকণ দবি বুলি আশা কৰি স্থানীয় ব্যক্তিৰ দুআষাৰ সামৰণি মাৰিলোঁ।

ধন্যবাদ

শ্ৰী দিপাঙ্কৰ শইকীয়া
(কাঞ্চন নগৰ)
২০-০৬-২০২২

## ঙ) প্ৰশ্নসূচী

১) শ্ৰীশ্ৰী চিপহা সত্ৰখন কিমান চনত আৰু কোনে প্ৰতিষ্ঠা কৰিছিল?

২) শ্ৰীশ্ৰী চিপহা সত্ৰৰ প্ৰথমজন সত্ৰাধিকাৰৰ পৰা বৰ্তমানজনলৈকে নামসমূহ কি কি আৰু তেওঁলোকে আগবঢ়োৱা অৱদানসমূহৰ বিষয়ে বহলাই আলোচনা।

৩) সত্ৰখনৰ সত্ৰীয়া সংস্কৃতিৰ সম্পৰ্কে বহলাই আলোচনা।

৪) সত্ৰখনত অনুষ্ঠিত হোৱা ফাকু উৎসৱ, জন্মাষ্টমী, বাৰ্ষিক নাম-প্ৰসংগৰ লগতে অন্যান্য বিভিন্ন অনুষ্ঠানৰ সম্পৰ্কে আলোচনা।

৫) সত্ৰখনৰ আপুৰুগীয়া সম্পদবোৰ কি কি? আৰু সেইবোৰৰ সম্পৰ্কে বহলাই আলোচনা।

৬) সত্ৰৰ দৈনন্দিন কাৰ্যকলাপসমূহৰ সম্পৰ্কে আলোচনা?

৭) সত্ৰৰ বৰ্তমান কাৰ্যাৱলী তথা নামঘৰ, অন্যান্যগৃহ আছে যদি ফ'টো সংগ্ৰহ।

৮) শ্ৰীশ্ৰী চিপহা সত্ৰখনে তিতাবৰক কেনেদৰে প্ৰভাৱিত কৰিছে বুলি আপোনালোকে ভাৱে?

৯) সত্ৰখনৰ চাৰিওদিশত থকা গাঁওসমূহ তথা অন্যান্য দিশসমূহক কেনেদৰে প্ৰভাৱিত কৰিছে?

## চ) তথ্যদাতাৰ তালিকা

| নাম | বয়স | ঠিকনা |
|---|---|---|
| শ্ৰী বংশীধৰ মহন্ত | ৯০ | হামদৈ পুৰণা তিতাবৰ, জিলা-যোৰহাট (অসম) |
| শ্ৰীমতী লাৱণ্য মহন্ত (গোস্বামী) | ৮০ | ঐ |
| শ্ৰী প্ৰতীম মহন্ত (ৰাজু) | ৬০ | ঐ |
| শ্ৰী পৰাগ মহন্ত | ৪৮ | ঐ |
| শ্ৰী জগন্নাথ মহন্ত | ৬০ | ঐ |
| শ্ৰী অতুল মহন্ত | ৭৬ | ঐ |
| শ্ৰী উত্তম মহন্ত (ৰুণ্টু) | ৪৭ | ঐ |
| শ্ৰী তোলন দত্ত | ৭৫ | ঐ |
| শ্ৰী অৰুণচন্দ্ৰ বৰুৱা | ৬৮ | বিবিজান, ৱাৰ্ড নং ৫ |
| শ্ৰী মঞ্জিত মহন্ত | ৪৩ | হামদৈ পুৰণা তিতাবৰ, জিলা-যোৰহাট (অসম) |
| শ্ৰী পৰাগজ্যোতি মহন্ত | ৫৭ | বেবেজীয়া |

## ছ)‘হামদৈ চিপহা সত্ৰ’ৰ সত্ৰাধিকাৰসকলৰ নামসমূহ

১) শ্ৰী কৃষ্ণচৰণ মহন্ত (মূল চিপহা সত্ৰৰ প্ৰতিষ্ঠাপক)
২) শ্ৰী বলোৰাম মহন্ত
৩) শ্ৰী কৃষ্ণনিধি মহন্ত
৪) শ্ৰী শিৱনিধি মহন্ত
৫) শ্ৰী হৰিদেৱ মহন্ত
৬) শ্ৰী ৰামদেৱ মহন্ত
৭) শ্ৰী যদুকান্ত মহন্ত
৮) শ্ৰী মহিচন্দ্ৰ মহন্ত
৯) শ্ৰী চাৰুচন্দ্ৰ মহন্ত
১০) শ্ৰী ৰেৱকান্ত মহন্ত
১১) শ্ৰী পদ্মকান্ত মহন্ত
১২) শ্ৰী কেশচন্দ্ৰ মহন্ত
১৩) শ্ৰী সুবোধ মহন্ত
১৪) শ্ৰী মহিকান্ত মহন্ত
১৫) শ্ৰী চন্দ্ৰকান্ত মহন্ত
১৬) শ্ৰী উপেনচন্দ্ৰ মহন্ত
১৭) শ্ৰী নৰেণ চন্দ্ৰ মহন্ত (বৰ্তমান)

## ঋ) গ্ৰন্থপঞ্জী


আহমেদ, ৰিজু (সম্পা.) ঃ 'জননী'; ২০ জুন, ২০২২, ৰিজু আহমেদ প্ৰেছ প্ৰকাশন।

বৰকটকী, উপেন্দ্ৰ ঃ ' দাপোণত কলিয়াবৰ'; শ্ৰীমন্ত শংকৰদেৱ সংঘ ঃ কলিয়াবৰ জিলা শখা কুঁৱৰীটোল প্ৰকাশন, নগাঁও, অসম।

বৰদলৈ, সুৰেণ (সম্পা.) ঃ 'তিতাবৰ স্মৃতি' (অসম সাহিত্য সভা) ১৯৭৫ চন, শ্ৰী খগেশ্বৰ গগৈৰ দ্বাৰা প্ৰকাশিত আৰু যোৰহাটৰ বীণা প্ৰেছত মুদ্ৰিত।

বৰুৱা, অৰুণ চন্দ্ৰ (সম্পা.) ঃ 'হামদৈ পথাৰ মোৰ আই (স্মৃতি গ্ৰন্থ); ২০০৮ খ্ৰীষ্টাব্দ, উদ্‌যাপন সমিতি, সাহিত্যচাৰ্য যজ্ঞেশ্বৰ শৰ্মা জন্মশত বাৰ্ষিকী সামৰণী অনুষ্ঠান প্ৰকাশন বগাৰ গাঁও, তিতাবৰ।

বৰুৱা, অৰুণ চন্দ্ৰ ঃ 'মহান'; ৬ জুন, ২০২২ চন; ৰিজু াহমেদ প্ৰেছ প্ৰকাশন, তিতাবৰ বিবিজান।

মহন্ত, উপেনচন্দ্ৰ ঃ 'বিৱৰ্তনৰ পথত হামদৈ চিপহা সত্ৰ (এটি চমু পৰিচয়); চিপহা সত্ৰ পুথি ভঁড়াল, তিতাবৰ।

শইকীয়া, বুদ্ধীন্দ্ৰনাথ (সম্পা.) ঃ 'হীৰক ৰশ্মি (স্মৃতি গ্ৰন্থ)'; ২০১৯ চন, হীৰক জয়ন্তী উদ্‌যাপন সমিতি, প্ৰকাশন।

গোস্বামী, কেশৱানন্দ ঃ 'সত্ৰ সংস্কৃতিৰ ৰূপৰেখা', ২০০০ চন, বনলতা প্ৰকাশন, গুৱাহাটী

**সামাজিক মাধ্যম** ঃ গুগ'ল Wikipedia 'অসম সত্ৰীয়া সংস্কৃতি আৰু নামঘৰ' (https://kkhsou.ac.in)

ফেচবুক পেজ 'HUHURI OFFICIAL'

www.ijvar.org (October 2018, volume 5, Issue 4)

# আলোক চিত্র